# পাঠ:১

# দ্ৰুতপাঠ :- বৈচিত্ৰ্যময় অসম

---

### [ ( ক ) আহোমসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। আহোমসকল আদিতে কোন জাতিৰ লোক আছিল ?

উত্তৰঃ আহোমসকল আদিতে টাই জাতিৰ লোক আছিল ।

প্ৰশ্ন ২। আহোমসকলৰ আদি বাসস্থান কত আছিল ?

উত্তৰঃ আহোমসকলৰ আদি বাসস্থান চীনদেশৰ দক্ষিণ - পশ্চিম অঞ্চল , বৰ্তমানৰ ইউনান প্ৰদেশৰ মুংমাও ৰাজ্যত আছিল ।

প্ৰশ্ন ৩। আহোমসকলে কিমান বছৰ অসমত শাসন কৰিছিল ?

উত্তৰঃ আহোমসকলে ৬০০ বছৰৰ অধিক কাল শাসন কৰিছিল ।

প্ৰশ্ন ৪। আহোমসকলৰ আদি ভাষা কি আছিল ?

উত্তৰঃ আহোমসকলৰ আদি ভাষা আছিল টাই বা শ্যাম ।

প্ৰশ্ন ৫। আহোমসকলৰ কেইটিমান উৎসৱৰ নাম লিখা ।

উত্তৰঃ 'মে - ডাম - মে ফী', 'ওমফা', 'চাইফা', 'ৰিকখন', 'জাচিংফা', 'লাইলুংখাম' আদি ।

প্ৰশ্ন ৬। চমুটোকা লিখা । —

( ক ) লাচিত বৰফুকন :

উত্তৰঃ লাচিত বৰফুকন :- অসমৰ ঐতিহাসিক দেশপ্ৰেমিক বীৰ লাচিত বৰফুকনৰ জন্ম হৈছিল ১৬১২ খ্ৰীষ্টাব্দত গড়গাঁৱৰ ওচৰে - পাজৰে কোনো এখন গাঁৱত । তেওঁৰ পিতৃৰ নাম মোমাই তামুলী বৰবৰুৱা । তেওঁৰ তিনিজন ককায়েক আছিল , তেওঁলোকৰ নাম হ'ল লালুকসোলা , মৰংগী আৰু ভাৰধৰা । লাচিত বৰফুকন সৰুৰে পৰাই বৰ সাহসী আছিল ।

লাচিত বৰফুকনে নিজৰ দক্ষতাৰ ফলত অতি সোনকালেই ৰজা ঘৰত নিযুক্তি লাভ কৰিছিল । প্ৰথমে 'হাঁচতি ধৰা তামুলী', তাৰ পিছত ক্ৰমে 'ঘোৰা বৰুৱা', 'দোলীয়া বৰুৱা আৰু 'শিমলু গুৰীয়া ফুকন' পদত নিযুক্তি লাভ কৰিছিল ।

মোগলৰ মিৰজুমলাই অসম আক্ৰমণ কৰা সময়ত দেখুওৱা পাৰদৰ্শিতা আৰু দক্ষতাৰ কাৰণে শেষত আহোম সেনাৰ প্ৰধান সেনাপতি 'বৰফুকন ' পদত অধিষ্ঠিত হৈছিল ।

১৬৬৭ চনৰ ২০ আগষ্টত আহোম - মোগল যুদ্ধত বীৰ লাচিত বৰফুকনৰ সুদক্ষ নেতৃত্বত মোগল বেয়াকৈ হাৰি গুচি যাব লগীয়া হয় । পিছত মোগলে ৰামসিংহৰ নেতৃত্বত পুনৰ অসম আক্ৰমণ কৰিবলৈ আহে । মোগালক ভেটা দিবলৈ একেৰাতিৰ ভিতৰতে এটা গড় নিৰ্মাণ কৰিবলৈ লাচিত বৰফুকনে নিজৰ মোমায়েকক দায়িত্ব দিছিল । কামত গাফিলতি কৰাত " দেশতকৈ মোমাই ডাঙৰ নহয় " বুলি খঙেৰে তেওঁ মোমায়েকক ঘপিয়াই হত্যা কৰিছিল ।

শৰাইঘাটৰ যুদ্ধখনেই আছিল আহোম মোগলৰ শেষ যুদ্ধ । এই যুদ্ধ হৈছিল ১৬৭১ চনৰ মাৰ্চ মাহৰ মাজভাগত । স্থল আৰু জল দুয়োপথেৰে যুঁজি লাচিতৰ নেতৃত্বত অসমীয়া সেনাই মোগল সেনাক কচু কটা দিলে । মোগল সেনাপতি ৰামসিংহই অসম অধিকাৰৰ আশা চিৰকাললৈ ত্যাগ কৰি অসম এৰি গুচি গৈছিল । এই যুদ্ধত লাচিত বৰফুকনে তীব্ৰ জ্বৰত ভুগিও ৰণত নামিছিল ।

শৰাইঘাটৰ যুদ্ধৰ কিছুদিন পিছতেই এই দেশপ্ৰেমিক সাহসী বীৰৰ গুৱাহাটীত মৃত্যু হয় ।

## ( খ ) সতী জয়মতী :-

উত্তৰঃ সতী জয়মতী :-  কুঁৱৰী আছিল তুং - খুঙ্গীয়া ফৈদৰ লাঙ্গি গদাপাণি কোঁৱৰৰ পত্নী । সেই সময়ত আহোম ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি আছিল অতি জটিল । প্ৰবল প্ৰতাপী লালুকসোলাই নিজে আহোম সিংহাসনত উঠিবৰ আশাৰে ল'ৰা ৰজা অৰ্থাৎ ৰত্নধ্বজ সিংহৰ আদেশত সিংহাসনত উঠিবৰ যোগ্য ভালেমান কোঁৱৰক হয় হত্যা কৰালে নতুবা অংগক্ষত কৰালে । গদাপাণিকো লালুকসোলাই লক্ষ্য কৰি লোৱাত পত্নী জয়মতীয়ে তেওঁক জোৰ কৰি পলুৱাই খেদালে ।

গদাপাণিক বিচাৰি নাপাই ৰজাৰ আদেশত জয়মতীক ৰাজসভালৈ অনাই গদাপাণি ক'ত আছে সুধিলে । তেওঁ গদাপাণিৰ খবৰ নোকোৱাত চাউদাঙৰ হতুৱাই জেৰেঙা পথাৰত গছত বান্ধি দিনে ৰাতিয়ে কঠোৰ শাস্তি দিবলৈ ধৰিলে । এই খবৰ শুনি গদাপাণিয়ে নগাৰ বেশ ধৰি আহি জয়মতীক গিৰিয়েকৰ খবৰ দিবলৈ ক'লে যদিও নগাৰ বেশত থকা গদাপাণিক চিনি পাই তাৰাতাৰি তাৰ পৰা আঁতৰি যাবলৈ ইংগিত দিলে । গদাপাণি জয়মতীৰ ইংগিত পাই গধুৰ বেদনা লৈ আঁতৰি গ'ল । মৃত্যু যন্ত্ৰণা ভুগি অৱশেষত জয়মতীয়ে চাউদাঙৰ হাতত মৃত্যু বৰণ কৰিলে , তথাপি স্বামীক আৰু স্বামীৰ জৰিয়তে দেশক ৰক্ষা কৰিবলৈ জয়মতীয়ে স্বামীৰ প্ৰকৃত সন্ধান জানিও নক'লে । সেই কাৰণেই সতী হিচাবে 'সতী । জয়মতী কুঁৱৰী' নামে অসম ইতিহাসত তেওঁ চিৰকাললৈ জিলিকি থাকিল ।

## ( গ ) কৃষ্ণকান্ত সন্দিকৈ :

উত্তৰঃ কৃষ্ণকান্ত সন্দিকৈ :- অসমীয়া , সংস্কৃত , ইংৰাজী আদি কেবাটাও ভাষাৰ এগৰাকী পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হৈছিল ১৮৯৮ চনত যোৰহাটত । পিতৃৰ নাম ৰাধাকান্ত সন্দিকৈ আৰু মাকৰ নাম নাৰায়ণী সন্দিকৈ । ১৯১৩ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা এন্ট্ৰেন্স পৰীক্ষা ১ ম বিভাগ পাছ কৰাৰ পিছত কটন কলেজৰ পৰা আই এ পৰীক্ষা ১ ম বিভাগত আৰু তাৰ পিছত কলিকতাৰ সংস্কৃত কলেজৰ পৰা সংস্কৃতত বেদ গ্ৰুপত সন্মান সহ প্ৰথম শ্ৰেণীত বি.এ পাছ কৰে । তাৰ পিছত বিলাতলৈ গৈ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আধুনিক বুৰঞ্জী বিভাগত সন্মানসহ ১৯২৩ চনত এম . এ . পাছ কৰে । তেওঁ বিভিন্ন বিশ্ববিদ্যালয়ত গ্ৰীক , লাতিন , ইটালিয়ান আদি ভাষাও আয়ত্ত কৰিছিল । ১৯৩০ চনত যোৰহাট জে , বি , কলেজত প্ৰতিষ্ঠাপক অবৈতনিক অধ্যক্ষ হিচাপে কাম কৰাৰ পাছত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১ ম গৰাকী উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰে । ১৯৮২ চনৰ ৭ জুনত এই গৰাকী পণ্ডিতৰ মৃত্যু হয় ।

সংস্কৃত ভাষাত অগাধ পাণ্ডিত্য থকা সন্দিকৈদেৱে প্ৰায় তেৰটা ভাষাত ব্যুৎপত্তি লাভ কৰিছিল । কৃষ্ণকান্ত সন্দিকৈৰ প্ৰকাশিত গ্ৰন্থ হল— শ্ৰীহৰ্ষৰ  'নৈষধ চৰিতৰ ইংৰাজী অনুবাদ  'নিষধ চৰিত' ( ১৯৩৪ ) , 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি' ( ১৯৪৯ ) , 'সেতুবন্ধন',  'কৃষ্ণকান্ত সন্দিকৈৰ ৰচনা সম্ভাৰ' ( সম্পাদনা ও যতীন্দ্ৰনাথ গোস্বামী , ১৯৮৪ ) ।

ভাৰত চৰকাৰে ১৯৫৪ চনত পদ্মশ্ৰী আৰু ১৯৬৭ চনত পদ্মভূষণ সন্মানেৰে ভাৰত চৰকাৰে তেওঁক সন্মানিত কৰিছিল । ১৯৩৭ চনত অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল । গুৱাহাটী বিশ্ববিদ্যালয়েও তেওঁক সন্মানিত ডি লিট উপাধি প্ৰদান কৰিছিল ।

## ( ঘ ) পদ্মনাথ গোহাঞি বৰুৱা :

উত্তৰঃ পদ্মনাথ গোহাঞি বৰুৱা :- অসমৰ এগৰাকী স্বনামধন্য সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম হৈছিল ১৮৭১ চনৰ ২৪ অক্টোবৰত উত্তৰ লক্ষীমপুৰৰ নকাৰি গাঁৱত। তেওঁৰ দেউতাকৰ নাম আছিল ঘিণাৰাম আৰু মাকৰ নাম লক্ষ্মী দেৱী। তেওঁ ১৮৯০ চনত এন্ট্ৰেল পৰীক্ষা পাছ কৰি কলিকতালৈ গৈ এফ . এ . আৰু আইন পঢ়ে। প্ৰথমে কোহিমাত শিক্ষকতা কৰাৰ পাছত যোৰহাটলৈ গৈ কিছুদিন তাতে শিক্ষকতা কৰি পিছত তেজপুৰ নৰ্মাল স্কুলত কাম কৰে আৰু তেজপুৰতেই স্থায়ীভাৱে থাকিবলৈ লয়।

পদ্মনাথ গোহাঞি বৰুৱাৰ সাহিত্য - কৰ্মসমূহ হ'ল— উপন্যাস :- ভানুমতী ( ১৮৯১ ) , লাহৰী ( ১৮৯২ )।

নাটক :- জয়মতী ( ১৯০০ ) , গদাধৰ ( ১৯০৭ ) , সাধনী ( ১৯১১ ) , লাচিত বৰফুকন ( ১৯১৫ ) , গাঁওবুঢ়া ( ১৮৯৭ ) , টেটোন তামুলী ( ১৯০৯ ) , ভূত নে ভ্ৰম ( ১৯১৫ ) , বাণৰজা ( ১৯৩২ ) আদি।

কবিতা :- লীলাকাব্য ; জুৰণি , ফুলৰ চানেকী।

আত্মজীৱনী :- মোৰ সোঁৱৰণী ( ১৯৭২ , মৃত্যুৰ পিছত প্ৰকাশ )।

ধৰ্মগ্ৰন্থ :- শ্ৰীকৃষ্ণ ( ১৯৩০ ) , গীতাসাৰ ( ১৯৩৫ ) ,

অন্যান্য গ্ৰন্থ :- অসম বুৰঞ্জী , হিন্দু বুৰঞ্জী , নীতি শিক্ষা , সাহিত্য সংগ্ৰহ , জীৱনী সংগ্ৰহ , ভূগোল দৰ্পণ , দেশী কচৰৎ আদি।

তেওঁ সম্পাদনা কৰা আলোচনী হ'ল – বিজুলী , আসাম বন্তি আৰু উষা। ১৯১৭ চনত অসম সাহিত্য সভা গঠন হোৱাত তেওঁ আছিল প্ৰতিষ্ঠাপক সভাপতি আৰু সেই বছৰতেই শিৱসাগৰত অনুষ্ঠিত ইয়াৰ প্ৰথম অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল। ১৯৪৬ চনৰ ৭ এপ্ৰিল তাৰিখে এইজনা সাহিত্যিকৰ দেহাৱসান ঘটে।

## ( ঙ ) টেঙাই মহন :

উত্তৰঃ টেঙাই মহন :- পণ্ডিত টেঙাই মহন ইংৰাজী ১৭১৫ চনত চৰাইদেউত মহুং - মাইচেউ পৰিয়ালৰ তকম্বাৰিৰ ঘৰত জন্ম গ্ৰহণ কৰিছিল। তিনিজন ককায়েক - ভায়েকৰ ভিতৰত টেঙাই আছিল সৰু।
আহোম ৰাজত্বৰ শেষৰ ফালে সচেতন আৰু বুদ্ধিজীৱী আহোমসকল এক মহা সংকটত পৰিছিল। কাৰণটো হ'ল- আহোম দৰবাৰত বিভিন্ন কাৰণত আহোম ভাষাৰ পৰিৱৰ্তে অসমীয়া ভাষাই লাহে লাহে প্ৰসাৰ লাভ কৰিছিল। আনহাতে আহোম ভাষাই ক্ৰমান্বয়ে অৱহেলিত হোৱাৰ লগতে দৈনন্দিন কথা - বতৰাৰ পৰা আঁতৰি যাবলৈ ধৰিলে। এনে স্থলত সচেতন - বুদ্ধিজীৱী আহোমসকলে চিন্তিত হৈ পৰিল এইবুলি যে এসময়ত আহোম ভাষাটো একেবাৰে লুপ্ত হৈ যায় , তেতিয়া অসমৰ এটা জীয়া সভ্যতা অসমৰ ইতিহাসৰ পৰা বিশেষহৈ যাব। ১৭৭৫ চনত , গৌৰীনাথ সিংহৰ ৰাজত্বৰ শেষৰ ফালে তেওঁ বৰ কাকত হু মুং পুথি ' নামৰ এখন অভিধান পুথি ৰচনা কৰে। সাঁচি পাতত লিখা এই পুথিখনত ৪২ - খিলা পাত আছিল। ইয়াৰ জোখ আছিল ৪০x১০ ছেমি .। প্ৰতি পৃষ্ঠাত ৮৯টাকৈ শাৰী আছে। ইয়াত প্ৰতিটো আহোম শব্দৰ বিপৰীতে সম্ভাব্য সকলো অসমীয়া অৰ্থ সন্নিবিষ্ট আছে।

## ( চ ) পণ্ডিত প্ৰৱৰ ডম্বৰুধৰ দেওধাই ফুকন :

উত্তৰঃ পণ্ডিত প্ৰৱৰ ডম্বৰুধৰ দেওধাই ফুকন :- ১৯১২ চনৰ অক্টোবৰ মাহৰ এটি শুভক্ষণত তেতিয়াৰ চৰাইদেউ মহকুমাৰ অন্তৰ্গত থালেঘোগুৱা মৌজাৰ অন্তৰ্গত আখৈয়া দেওধাই গাঁৱৰ এটা মধ্যবিত্ত পৰিয়ালত ডম্বৰুধৰ দেওধাই ফুকনদেৱৰ জন্ম হয়। পিতা গংগাৰাম ফুকন আৰু মাতৃ চাঁদৈ ফুকন। পিতা গংগাৰাম ফুকন এজন শিক্ষানুৰাগী ব্যক্তি আছিল। তেওঁ প্ৰথমতে লাকুৱা নাহৰ হাবি চাহ বাগানৰ কেৰাণী হিচাপে চাকৰি কৰি শেষত গাঁৱৰ গাঁওবুঢ়া হৈছিল। ডম্বৰুধৰ ফুকনদেৱে এম . ভি . স্কুলৰ পাছত অধিক আগ নাবাঢ়ি টাই ভাষা - সংস্কৃতিকে থামোচ মাৰি একান্তভাৱে অধ্যয়ন কৰিবলৈ লয়। তেওঁ দদায়েক সৰুনাথ দেওধাই ফুকন আৰু নন্দনাথ দেওধাই ফুকনৰ পৰা ঘৰতে টাই ভাষাৰ শিক্ষা গ্ৰহণ কৰিছিল। কম সময়ৰ ভিতৰতে টাই ভাষাত বুৎপত্তি লাভ কৰিবলৈ সক্ষম হোৱা ফুকনদেৱে এজন টাই পণ্ডিত হিচাপে খ্যাতি লাভ কৰিছিল। ঘৰতে থাকি খেতি - বাতিৰ লগতে টাই ভাষা চৰ্চা কৰি থকাৰ সময়তে অসম বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ মুৰব্বী ড° সূৰ্যকুমাৰ ভূঞাদেৱে ১৯৩১ চনত টাই ভাষাৰ বিশেষজ্ঞ হিচাপে টাই আহোম

বুৰঞ্জী অনুবাদৰ বাবে গুৱাহাটীলৈ মাতি নিয়ে । অসম বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত চাৰি বছৰ কাম কৰাৰ পাছত ১৯৩৫ চনত স্ব - ইচ্ছাই চাকৰি এৰি ঘৰলৈ ঘূৰি আহে ।

## [ ( খ ) কাছাৰৰ জনগোষ্ঠীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। নৃতত্ত্ববিদসকলে বৰাক উপত্যকাক কি বুলি অভিহিত কৰিছিল ?

উত্তৰঃ নৃতত্ত্ববিদসকলে বৰাক উপত্যকাক Anthropological garden অৰ্থাৎ 'নৃতত্বৰ বাগিছা' বুলি অভিহিত কৰিছিল ।

প্ৰশ্ন ২। বৰাক উপত্যকাত বাস কৰা বিভিন্ন জনগোষ্ঠীসমূহ কি কি ?

উত্তৰঃ বৰাক উপত্যকাত বাস কৰা বিভিন্ন জনগোষ্ঠীসমূহ হ'ল— মণিপুৰী , বংগীয় সমাজ , মণিপুৰী বিষ্ণুপ্ৰিয়া , অসমীয়া , ৰাজবংশী , ৰাজস্থানী , বৰ্মন ( ডিমাছা ) , ৰংমাই নাগা , মাৰ , কাৰ্বি , ৰিয়াং , খাচিয়া , মেইতেই , কুকি , পৈতে , মিজো , সিমতে গাংতে , চাকমা , চিৰু , চৰৈ , ৰাংখল , শাকচেপ , নেপালী ।

প্ৰশ্ন ৩। বৰাক উপত্যকাৰ মানুহৰ প্ৰধান জীৱিকা কি কি ?

উত্তৰঃ বৰাক উপত্যকাৰ মানুহে সাধাৰণতে তিনি ধৰণেৰে জীৱিকা নিৰ্বাহ কৰে খেতি - বাতি , ব্যৱসায় আৰু চাকৰি ।

প্ৰশ্ন ৪। The background of Assamese Culture ' গ্ৰন্থখন কোনে ৰচন কৰিছিল ?

উত্তৰঃ The background of Assamese Culture ' গ্ৰন্থখন বুৰঞ্জী আৰু পুৰাতত্ববিদ ৰাজমোহন নাথে ৰচনা কৰিছিল ।

প্ৰশ্ন ৫। হায়দৰাবাদত অনুষ্ঠিত সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অসম ৰাজ্যিক ফুটবল দলৰ মেনেজাৰ কোন আছিল ?

উত্তৰঃ হায়দৰাবাদত অনুষ্ঠিত সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অসম ৰাজ্যিক ফুটবল দলৰ মেনেজাৰ বংগীয় সমাজৰ সুনীল মোহন আছিল ।

প্ৰশ্ন ৬। চমুটোকা লিখা ।

( ক ) ৰাজমোহন নাথ , ( খ ) কামালুদ্দিন আহমেদ , ( গ ) নন্দলাল বৰ্মন ( ঘ ) নলিনীন্দ্ৰ কুমাৰ বৰ্মন ( ঙ ) ইৰুংবম চন্দ্ৰ সিংহ , ( চ ) বিপিন সিংহ ।

( ক ) ৰাজমোহন নাথ :

উত্তৰঃ ৰাজমোহন নাথ :- প্ৰসিদ্ধ অভিযন্তা , সাহিত্যিক , গৱেষক পণ্ডিত ৰাজমোহন নাথৰ সাহিত্য ক্ষেত্ৰত অমূল্য অবদান আছে । তেওঁ অসমীয়া , ইংৰাজী আৰু বঙালী ভাষাত ভালেমান গ্ৰন্থ ৰচনা কৰি থৈ গৈছে । অসমৰ বুৰঞ্জী আৰু পুৰাতত্ব বিষয়ত গৱেষণাত তেওঁৰ অৱদান অতুলনীয় । তেওঁ অভিযন্তা হলেও আগ্ৰহৰ ক্ষেত্ৰখন আছিল বুৰঞ্জীৰ গবেষণাঁ । এই ক্ষেত্ৰত , তেওঁ উল্লেখযোগ্য গ্ৰন্থখনৰ নাম হ'ল The background of Assamese Culture , এইখন প্ৰথম প্ৰকাশিত হৈছিল ১৯৪৮ চনত । শ্ৰীমন্ত শংকৰদেৱ সাহিত্য আৰু দৰ্শনৰ বিষয়েও তেওঁ চৰ্চা কৰিছিল । 'শ্ৰীশ্ৰীশংকৰদেৱৰ বৰগীত', 'শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ চৰিত', 'শ্ৰীশ্ৰীমাধৱদেৱৰ বৰগীত ' - তেওঁৰ ৰচিত এনেবোৰ গ্ৰন্থই এই কথাৰ প্ৰমাণ দিয়ে । তেওঁ অসমীয়া ভাষাত প্ৰায় ২১ খন , বঙালী ভাষাত ১৯ খন আৰু ইংৰাজী ভাষাত পাঁচখন গ্ৰন্থ ৰচনা কৰি সাহিত্যিক জীৱন ধন্য কৰি গৈছে । তিনিচুকীয়া চহৰত ১৯৫৮ চনত অনুষ্ঠিত অসম সাহিত্য

সভাৰ ত্ৰয়োদশ অধিবেশনত তেওঁ বুৰঞ্জী শাখাৰ সভাপতি আছিল । এইজনা পণ্ডিতৰ ১৯৬৫ চনৰ ৩ এপ্ৰিল তাৰিখে দেহাৱসান ঘটে ।

( খ ) কামালুদ্দিন আহমেদ :

উত্তৰঃ কামালুদ্দিন আহমেদ :- কৰিমগঞ্জ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বুৰঞ্জীবিদ কামালুদ্দিন আহমেদ এগৰাকী সাহিত্যিক । তেওঁ শতাধিক গৱেষণা পত্ৰ লিখাৰ উপৰিও উপন্যাস আদি সৃজনিমূলক গ্ৰন্থত ৰচনা কৰিছিল । তেওঁৰ সম্পাদিত সাহিত্য পত্ৰখনৰ নাম 'দিগ্বলয়' । অসমৰ শিল্প আৰু স্থাপত্যৰ বিষয়ে লিখা তেওঁৰ এখন গ্ৰন্থৰ নাম “ The Art on Architcture of Assam " ( 1894 )

( গ ) নন্দলাল বৰ্মন :

উত্তৰঃ নন্দলাল বৰ্মন :- ৰাজমন্ত্ৰী বংশৰ সমাজসেৱক নন্দলাল বৰ্মন এজন প্ৰতিপত্তিশীল ব্যৱসায়ী । বৰ্মণ সমাজে তেওঁক 'মিলাউ' আৰু আন সকলে 'মহাজন' বুলি মাতিছিল । তেওঁ ল'ৰা - ছোৱালীৰ শিক্ষাৰ কাৰণে কাছাৰ জিলাৰ বৰখলাত ১৯০১ চনতে এখন স্কুল স্থাপন কৰিছিল । সেই স্কুলখনৰ এতিয়া নাম হ'ল 'ৰাজা গোবিন্দ চন্দ্ৰ মেমোৰিয়েল স্কুল'

( ঘ ) নলিনীন্দ্ৰ কুমাৰ বৰ্মন :

উত্তৰঃ নলিনীন্দ্ৰ কুমাৰ বৰ্মন :- নলিনীন্দ্ৰ কুমাৰ বৰ্মণ আছিল শিক্ষক । ১৯৩০ চনৰ জুন মাহত বৰ্তমানৰ ডিমাহাছাও জিলাৰ সদৰ হাফলঙৰ মিচন স্কুলত তেওঁ শিক্ষক হিচাপে যোগ দিছিল । ডিমাছা জাতিৰ ঐতিহ্য আৰু পৰম্পৰাৰ বিষয়ে তেওঁ ব্যাপক অধ্যয়ন কৰিছিল । এই বিষয়ে লিখা তেওঁৰ গ্ৰন্থখনৰ নাম 'The Queen of Cachar or Herambo and the History of the Cacharis ' . ডিমাছা সমাজত শৰাধৰ অত্যাৱশ্যকীয় অঙ্গ হ'ল কীৰ্তন । নলিনীন্দ্ৰ কুমাৰ বৰ্মণে শৰাধৰ কীৰ্তন পদাৱলীৰ এখন সংকলন প্ৰকাশ কৰিছিল । উক্ত গ্ৰন্থখনৰ নাম 'হেড়িম্বৰাজ গোবিন্দচন্দ্ৰকৃত হিন্দু শাস্ত্ৰীয় শ্ৰাদ্ধাদিৰ কীৰ্তন গীতিকা' ।

ছাত্ৰাবস্থাৰ পৰাই অনিল কুমাৰ বৰ্মণে সমাজসেৱামূলক কামত আগবাঢ়ি আহিছিল । ১৯৪২ চনত তেওঁ ' ডিমাছা ছাত্ৰ সমিতি ' নামেৰে এটা সংস্থা গঠন কৰিছিল । কৰ্মজীৱনত আইন ব্যৱসায়ত ব্যস্ত থাকিলেও তেওঁ বিভিন্ন সামাজিক , সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰ লগত যুক্ত আছিল । বহুদিন তেওঁ 'নিখিল কাছাৰ হেড়িম্ব বৰ্মণ সমিতিৰ সভাপতি আছিল । ৰঙমাই নগা জনগোষ্ঠীৰ গাইনগামলঙ কামেই অসম ৰাজ্যিক ফুটবল দলৰ খেলুৱৈ আছিল । নিজা সমাজত তেওঁ ক্ৰীড়া সংস্কৃতিৰ প্ৰসাৰ ঘটাইছিল ।

( ঙ ) ইবুংবম চন্দ্ৰ সিংহ :

উত্তৰঃ ইবুংবম চন্দ্ৰ সিংহ :- ইবুংবম চন্দ্ৰ সিংহ মণিপুৰী সমাজত প্ৰথম অৰ্থনীতি বিজ্ঞানৰ সান্মাষিক স্নাতক আছিল । গঞা লৰা-ছোৱালীৰ শিক্ষাৰ বাবে তেওঁ নানাবিধ সদৰ্থক প্ৰয়াস চলাইছিল । দৰিদ্ৰ ছাত্ৰ - ছাত্ৰীক সহায় কৰাৰ কাৰণে এটা তহবিল গঢ়ি তোলাৰ লগতে তেওঁ এখন স্কুল স্থাপন কৰিছিল । স্কুলখনৰ বৰ্তমান নাম 'খেলম হাইস্কুল' ।

( চ ) বিপিন সিংহ :

উত্তৰঃ বিপিন সিংহ :- মণিপুৰী বিষ্ণুপ্ৰিয়া সমাজৰ ৰাজকুমাৰ চেনাৰিক সিংহ আৰু গুৰু বিপিন সিংহ নৃত্যকলাৰ ক্ষেত্ৰত দুজন অবিস্মৰণীয় ব্যক্তি । ছাত্ৰ - ছাত্ৰীক মণিপুৰী নৃত্যকলা শিকোৱাৰ কাৰণে ৰাজকুমাৰ চেনাৰিক সিংহক ৰবীন্দ্ৰনাথ ঠাকুৰে শান্তিনিকেতনলৈ মাতি নিছিল । নৃত্যকলা চৰ্চাৰ ক্ষেত্ৰত অৱদানৰ বাবে গুৰু বিপিন সিংহক ১৯৬৬ প্ৰধান চনত 'সঙ্গীত নাটক অকাডেমী বঁটা' প্ৰদান কৰা হৈছিল । পৰৱৰ্তী কালছোৱাত তেওঁ মধ্যপ্ৰদেশ চৰকাৰৰ পৰা 'কালিদাস সন্মান' লাভ কৰিছিল । কলকাতাত মণিপুৰী নৰ্তনালয় ' নামেৰে নৃত্যকলা শিক্ষাৰ এটা অনুষ্ঠান তেওঁ স্থাপন কৰিছিল ।

**[ ( গ ) কাৰ্বিসকল ]**

**পাঠভিত্তিক প্ৰশ্নোত্তৰ**

প্ৰশ্ন ১। কাৰ্বিসকলক অসমৰ কলম্বাচ বুলি কোনে কৈছিল ?

উত্তৰঃ কাৰ্বিসকলক অসমৰ কলম্বাচ বুলি বিষ্ণু ৰাভাই কৈছিল ।

প্ৰশ্ন ২। কাৰ্বিসকলৰ পৰম্পৰাগত সাজ - পাৰৰ বিষয়ে লিখা ।

উত্তৰঃ কাৰ্বিসকলৰ পুৰুষ আৰু নাৰীৰ পোচাক পৃথক । পুৰুষৰ আঠুমূৰীয়া পে চেলেং , চই হংথৰ , চই ইক , চইলক ( কাৰ্বি জেকেট ) , পই আদিয়েই প্ৰধান । চই হংথৰ আজিকালি কাৰ্বি জেকেট বুলি পৰিচিত । পই ( কাৰ্বি মাফ্লাৰ ) ৪ আৰু ৫ ইঞ্চি বহল আৰু প্ৰায় ৫ ৰ পৰা ৬ ফুট দীঘল । ইয়াৰ দুয়োমূৰে ফুল তুলি দিয়া হয় ।

চেপাল আবু :- প্ৰায় ৩ ইঞ্চি বহল আৰু দীঘলে প্ৰায় ৬ ফুট । দুয়োৰে কড়িৰে সম্বলিত বিশেষ চকচকীয়া ক'লা কাপোৰ । ইয়াক ডেকা ল'ৰা সকলে ব্যৱহাৰ কৰে ।
নাৰীসকলৰ সাজ - পাৰ হ'ল পিনি , পেকক আৰু ৱানকক । তদুপৰি পে চেলেং , পে থনজাৰি , পে ছাৰপি আদিয়ে প্ৰধান ।

পিবা :- ডেৰফুটৰ পৰা দুই ফুট বহল আৰু ৬ ফুট দীঘল । দুয়োমূৰে বিভিন্ন ৰঙৰ ফুল তুলি কড়িৰে সম্বলিত বিশেষ চচকীয়া কলা কাপোৰ । ইয়াক মহিলা , সকলে নিজৰ কেঁচুৱাটিক বোকোচাত লবৰ বাবে ব্যৱহাৰ কৰে ।

প্ৰশ্ন ৩। কাৰ্বিসকলৰ উৎসৱ পাৰ্বণ সম্পৰ্কে লিখা ।

উত্তৰঃ কাৰ্বিসকলৰ উৎসৱ পেং হেমফু , ৰংকেৰ , চজুন আদিয়েই প্ৰধান । পেং হেমফু হ'ল ঘৰুৱা উৎসৱ । এই উৎসৱত সাধাৰণতে তিনিটাকৈ পূজা থাকে ; ৰিং আংলং , বুইচম আৰু পেং । এই তিনিটা পূজা বছৰৰ আৰম্ভণিতে কৰা হয় যাতে বছৰটোত অপায় অমংগল নহয় ।

চজুন উৎসৱ ( Family festival ) :- এই উৎসৱ প্ৰতি বছৰে উদ্যাপন কৰা নহয় । ৪,৫ , বা ৯ বছৰৰ মূৰে মূৰে কৰা হয় ।

ৰংকেৰ উৎসৱ ( Community festival ) :- ইয়াক গাঁৱৰ উৎসৱ বুলি কোৱা হয় । এই উৎসৱো বছৰৰ আৰম্ভণিতে উদ্যাপন কৰা হয় । পূজাৰ মূল বেদীত চৰাই , ছাগলী , কণী আদি উছৰ্গা কৰি পূজা কৰা হয় ।

প্ৰশ্ন ৪। কাৰ্বিসকলৰ মূল ফৈদ কেইটা কি কি ?

উত্তৰঃ কাৰ্বিসকলৰ মূল ফৈদ পাঁচটা —১ । টিমুং , ২। টেৰণ , ৩। তেৰাং ৪। ইংহি । ৫। ইংতি ।

প্ৰশ্ন ৫। কাৰ্বি সমাজৰ নাৰীসকলে পৰিধান কৰা কেইবিধমান সাজ - পাৰ আৰু আ - অলংকাৰৰ নাম লিখা ।

উত্তৰঃ কাৰ্বি সমাজৰ নাৰীসকলে পৰিধান কৰা সাজ - পাৰ আৰু আ - অলংকাৰৰ নাম হ'ল — সাজ - পাৰ পিনি , পেকক , ৱানকক , পে চেলেং , পে - থনজাৰি , পে ছাৰপি , পিবা আদি ।

আ-অলংকাৰঃ লেক হিকি , নথেং পী , ন'লাংপং , নজাংছাই , লেকবুৰে , লেক পাংথাৰা , লাং আৰ , ৰই পাংথাৰা , ৰই পাহু আদি ।

প্ৰশ্ন ৬। চমুটোকা লিখা —

( ক ) ছেমছনছিং ইংতি ( খ ) ছামছিং হাঞ্চে, ( গ ) বংলং তেৰাং ( ঘ ) লংকাম তেৰণ ।

( ক ) ছেমছনছিং ইংতি :

উত্তৰঃ ছেমছনছিং ইংতি :- তেওঁ হ'ল কাৰ্বি আংলঙৰ স্বপ্নদ্ৰষ্টা আৰু ৰূপকাৰ । ১৯১০ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে পশ্চিম কাৰ্বি আংলঙৰ টিকা পাহাৰত জন্ম গ্ৰহণ কৰিছিল । পিতাকৰ নাম থেংকুৰছিং ইংতি আৰু মাকৰ নাম ৰুথ মাধৱী ( কাজিৰ তিমুংপী ) । ১৯১৬ চনত গোলাঘাট মিছন স্কুলত শিক্ষাৰ পাতনি মেলে আৰু ১৯২৮ চনত গোলাঘাট বেজবৰুৱা হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় । উচ্চ শিক্ষাৰ বাবে গুৱাহাটী কটন কলেজত অধ্যয়ন কৰে যদিও সেইসময়ত স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত অধ্যয়ন আধৰুৱা হয় । পিছত ১৯৩৩ চনত চিলেটৰ মুৰাৰী চান্দ কলেজৰ পৰা সুখ্যাতিৰে চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কাৰ্বি জাতিৰ প্ৰথম স্নাতক ৰূপে সুখ্যাতি অৰ্জন কৰে । তেওঁ স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পাছত গোলাঘাট বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰিছিল । ১৯৩৩ চনত মিকিৰ হিলচ ট্ৰেক গঠন হোৱাত চৰকাৰে তেওঁক মাতি আনি ১৯৩৪ চনত নগাঁও জিলাৰ শিক্ষা বিভাগত উপ - পৰিদৰ্শক পদত নিযুক্তি দিয়ে । তেওঁ নিজেই কেইবাখনো কাবি ভাষাৰ পাঠ্যপুথি লিখি অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত অতিৰিক্ত পাঠ্যপুথি হিচাপে পাঠদান কৰায় । তেওঁ লিখা পুথিকেইখন হ'ল 'বিতুছ আকিতাপ', 'কালাখা আকিতাপ', 'তেমপুৰু আৰু ৰপী ।

( থ ) ছামছিং হাঞ্চে :

উত্তৰঃ ছামছিং হাঞ্চে :- ছামছিং হাঞ্চে এজন লেখক , কবি , গীতিকাৰ , ঔপন্যাসিক , কথাছবি প্ৰযোজক , ৰাজনীতিক , সাহিত্যপ্ৰেমী ব্যক্তি । নগাঁও জিলাৰ সৰুবাট মৌজাৰ অন্তৰ্গত পণ্ডিতঘাট বা আৰ্হিকেলক গাঁৱত ১৯৪৮ চনৰ এপ্ৰিল মাহৰ ১৮ তাৰিখে তেওঁৰ জন্ম হয় । পিতৃৰ নাম জয়সিং হাঞ্চে আৰু মাতৃৰ নাম কাএং টেৰণপী । বাল্যকালতে পৰিয়ালটোৱে পুৰণি স্থান পৰিত্যাগ কৰি হংক্ৰাম নামৰ ঠাইলৈ স্থানান্তৰিত হয় আৰু তাতে স্থায়ীভাৱে বসতি কৰে । হংক্ৰাম প্ৰাথমিক বিদ্যালয়তে শিক্ষা জীৱন আৰম্ভ হয় । পাছলৈ টীকা মধ্য ইংৰাজী বিদ্যালয়ত আৰু কামপুৰ মধ্য বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে । ডিফু চৰকাৰী বালক বিদ্যালয়ত ভৰ্তি হয় যদিও প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হব নোৱৰাত সেনাবাহিনীৰ চাকৰি কৰে । তিনি বছৰৰ পিছত চাকৰি ইস্তফা দি ১৯৬৭ চনত বৈঠালাংছ উচ্চ ইংৰাজী বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হয় । ১৯৭৩ চনত স্নাতক ডিগ্ৰী লাভ কৰে ।

ভাষা - সাহিত্যৰ বিকাশ আৰু উন্নয়নৰ বাবে তেওঁ কেইবাখনো পুথি কাবি আৰু অসমীয়া ভাষাত প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল । সেইবোৰৰ 'ভিতৰত নাম তাই হাঈমু', 'কাৰ্বি প্ৰণয়ী গীত', 'ছবিন আলুন' ( কাৰ্বি ৰামায়ণ ) 'কুমলীন', 'ৰোমীৰ এমুঠি কাৰ্বি কবিতা' ( অনুবাদ ) আৰু 'ছেৰ হনজেং' নামৰ গ্ৰন্থ উল্লেখযোগ্য । ১৯৮৩-৮৪ চনত কাৰ্বি লামেত আমেইৰ ( কাবি সাহিত্য সভা ) সাধাৰণ সম্পাদক ১৯৮৪-৮৫ চনত সভাপতিৰ আসন অলংকৃত কৰে ।

( গ ) বংলং তেৰাং :

উত্তৰঃ বংলং তেৰাং :- কাৰ্বি সাহিত্যৰ পুৰোধা ব্যক্তি বংলং তেৰাঙৰ জন্ম হয় ১৯০৯ চনৰ অক্টোবৰ মাহৰ ১০ তাৰিখে ডিলাই নদীৰ কাষৰ নিহাংলাংছ নামৰ ঠাইত । তেৱেঁই কাৰ্বি সাহিত্যৰ প্ৰথম লিখিত ৰূপ প্ৰদান কৰে । দেউতাকৰ নাম ছাৰ তেৰাং আৰু মাকৰ নাম কাৰেং তিচ্ছপী । তেওঁ ১৩ বছৰ বয়সৰ পৰা সাহিত্য ৰচনা আৰম্ভ কৰিছিল । তেওঁ লিখা বিভিন্ন কিতাপসমূহ হ'ল- 'Word Book' 'আদাম আছাৰ' ( বিবাহ নিয়ম ) 'ৰূকাছেন', 'হাঈমু', 'ছেৰ হংথম', 'কাৰ্বি কপুছন', ' কাৰ্বি চ ৰংজে', 'আৰণ আতেং', 'ৰংলিন', 'ছাৰ আলুন', আৰু 'ছাৰ লামছাম' ।

১৯৭৩ চনত কাৰ্বি সাহিত্য সভাৰ তৰফৰ পৰা কাৰ্বি সাহিত্যৰ পুৰোধা ব্যক্তি পুৰস্কাৰ প্ৰদান কৰা হয় । অসম চৰকাৰৰ তৰফৰ পৰা এককালীন মাননী প্ৰদান কৰাৰ লগতে সাহিত্যিক পেঞ্চন প্ৰদান কৰে । এইজনা পুৰোধা ব্যক্তিয়ে সকলোকে এৰি ২০০১ চনৰ জুলাই মাহৰ ১৭ তাৰিখে ইহলীলা সম্বৰণ কৰে ।

( ঘ ) লংকাম তেৰণ :

উত্তৰঃ লংকাম তেৰণ :- সু - সাহিত্যিক লংকাম তেৰণৰ জন্ম হয় ১৯৩২ চনত । তেওঁৰ দেউতাকৰ নাম ডিপ্লো তেৰণ আৰু মাকৰ নাম কাচাই হাঞ্চেপী । ১৯৫৭ চনত কাচে ৰংহাংপীৰ লগত বিবাহ হয় । ১৯৬৪ চনত মিকিৰ পাহাৰ জিলা পৰিষদৰ জন সম্পৰ্কৰক্ষী বিষয়া পদত মনোনীত হয় । তেওঁ কাৰ্বি আদৰবাৰৰ সাধাৰণ সম্পাদক আৰু সভাপতি পদকো অলংকৃত হৈছিল । কাৰ্বি সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু ১৯৮৬ চনৰ কামপুৰ অধিৱেশনত অসম সাহিত্য সভাৰ উপ - সভাপতি পদতো কাৰ্যনিৰ্বাহ কৰিছিল । ৰচিত , সংকলিত আৰু অনুদিত গ্ৰন্থ মুঠ ৪১ - খন । তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহহ'ল 'ৰং কেছেং', 'টামাহিদি', 'কিতাপ কিমি', 'কাৰ্বি লামকুৰু', 'কাৰ্বি জনগোষ্ঠী', 'কাৰ্বি লামকুৰু - লামছেং', 'কাবি ভাষা পৰিচয়', 'কাৰ্বি লামতাছাম' আদি ।

## [ ( ঘ ) কোচ - ৰাজবংশী ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। কোচ - ৰাজবংশীসকল কোন ধৰ্মৰ লোক ?

উত্তৰঃ কোচ - ৰাজবংশীসকল হিন্দু ধৰ্মৰ লোক ।

প্ৰশ্ন২। কোচ - ৰাজবংশীসকলৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে লিখা ।

উত্তৰঃ কোচ ৰাজবংশীসকলৰ মাতৃভাষা ৰাজবংশী ভাষাৰ নিজস্ব শব্দ সম্ভাৰ , সৰ্বনাম , নিজস্ব ক্ৰিয়াৰূপ , শব্দৰূপ , মৌখিক আৰু লিখিত সাহিত্য , উচ্চাৰণ ভঙ্গী , নিজস্ব বাক্য গঠন পদ্ধতি আদি আছে । সেয়ে এই ভাষা অন্যান্য আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ পৰা পৃথক আৰু স্বতন্ত্ৰ বৈশিষ্ট্যসম্পন্ন এটি ভাষা ।

কোচ ৰাজবংশীসকলৰ সুপ্ৰাচীন এটি ভিন্নধৰ্মী উজ্বল চমকপ্ৰদ সংস্কৃতি পাওঁ । ভাৰতবৰ্ষত আসকলে সৃষ্টি কৰা বৰ্ণ ভিত্তিক সমাজ ব্যৱস্থাৰ পৰা কোচ ৰাজবংশীসকল সম্পূৰ্ণ পৃথক । সময়ৰ সোঁতত তেওঁলোকে এই ব্যৱস্থাৰ আওতালৈ আহিলেও আৰ্যক্ষত্ৰিয় হিন্দুসকলৰ সংস্কৃতিৰ লগত এওঁলোকৰ কোনো মিল নাই । বৰ্ণ হিন্দুৰ আচাৰ - নীতি গ্ৰহণ কৰিলেও কোচ - ৰাজবংশীসকলৰ নিজস্ব আচাৰ - সংস্কাৰ , পূজা - পাৰ্বণ , ধৰ্মীয় বিশ্বাস , খাদ্য - সম্ভাৰ , পোছাক - পৰিচ্ছদ , আ-অলংকাৰ, গীত - মাত আদি বিদ্যমান । এই সকলোবোৰ স্বকীয় মহিমাৰে সমুজ্বল ।

কোচ ৰাজবংশীসকলৰ জন্ম - মৃত্যু , বিয়াৰ নিজস্ব আচাৰ - নীতি , মৰাৰ পিছত আত্মাৰ অস্তিত্বৰ বিশ্বাস , মৃতকৰ প্ৰতি শ্ৰদ্ধা , নানা ঐন্দ্ৰজালিক ক্ৰিয়া , তন্ত্ৰ - মন্ত্ৰাদি বিশ্বাস , প্ৰকৃতিৰ সৃষ্টি কৰোঁতাক মাতৃ হিচাপে পূজা , বট গছক পূজা , টোটেমৰ প্ৰতি শ্ৰদ্ধা , জীৱ - জন্তুৰ পূজা , মানুহৰ ৰোগ - ব্যাধি আৰু বেয়া ঘটনাবোৰ অপশক্তি বা ভূত - প্ৰেতৰ দ্বাৰাই ঘটে বুলি বিশ্বাস । নানা ধৰণৰ বাধা - নিষেধ বা অনুশাসন , খোৱা , বেষমা বা বিষুৱা , পুষুণা , কাতিগজা , হোলি , চড়ক পূজা , গাজন , মনসা , বিষহৰি , শীতলা , মাসান , কালী আদি পূজাবোৰত অৰ্ধ হিন্দু বা জনজাতীয় বৈশিষ্ট্য বিদ্যমান । ৰাজহুৱা কামত চাউল , কল , কলৰ গছ , নাৰিকল , তামোল - পাণ , পিঠাগুৰি আদিৰ ব্যৱহাৰ লক্ষণীয় । ধৰ্ম পালনৰ বেলিকা বৰ্ণ হিন্দুৰ দেৱ - দেৱীক পূজা - অৰ্চনা , ভক্তি শ্ৰদ্ধা কৰাৰ লগতে তেওঁলোকৰ নিজস্ব বিধিৰে , বুঢ়াবুঢ়ী , তিস্তাবুঢ়ী , হুদুম পূজা , গ্ৰাম পূজা , ধামপূজা , মাশান , যখা , সোণাৰায় , কাতি , ষাইটল আদি পূজা কৰে ।

প্ৰশ্ন৩। কোচ-ৰাজবংশী সকলৰ খাদ্য আৰু সংস্কৃতিৰ বিষয়ে লিখা ।

উত্তৰঃ খাদ্য - সম্ভাৰৰ ভিতৰত তেওঁলোকৰ ছেকা , পেক্কা , ভেল্কা , সিদল , সুটকা , টোপলাভাতৰ স্বকীয় বৈশিষ্ট্য সম্পন্ন ।

সজ-পোছাক - পৰিচ্ছদৰ ভিতৰত - মহিলাসকলৰ পাটানী , বুকুনী , ফোতা , ছেউটা ; আ - অলংকাৰৰ ভিতৰত হাতৰ মুঠাখাৰু , চুৰ , শাখা , বাজু ; গলৰ সূৰ্যহৰ , চন্দ্ৰহাৰ , সিক্কাহাৰ কাণত মাকিৰি , অন্তি ; নাকত নোলোক , ফুল ; ভৰিত ভোলা খাৰু , ফেলা খাৰু আদি বিখ্যাত ।

প্ৰশ্ন৪। কোচ-ৰাজবংশী সকলৰ গীত-মাত সমূহ কি কি ?

উত্তৰঃ গীত - মাতৰ ভিতৰত কোচ ৰাজবংশীসকলৰ ভাওয়াইয়া গান , বিভিন্ন পূজাৰ গান , ৰাবাণ গান , কুশান গান , দোতোৰা গান , বিষহৰি পূজাৰ গান , মাৰৈ পূজাৰ গান , তুকখা গান , লাহাংকাৰী গান , নটুয়া , শাঙী ঢাকৰ গান , ডাকনাম , জাগ গান আদি স্বতন্ত্ৰ বৈশিষ্ট্যসম্পন্ন । এইদৰে সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় এওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ক্ষেত্ৰত নিজস্ব সংস্কৃতিৰ লগতে বৌদ্ধ , শৈৱ , শাক্ত , প্ৰভাৱৰ উপৰি বৰ্ণ হিদুৰ প্ৰতি আকৃষ্ট হোৱাৰ ফলত পৌৰাণিক প্ৰভাৱ , শঙ্কৰী বৈষ্ণৱ আৰু গৌড়ীয় প্ৰভাবো পৰিছে । তথাপি , এওঁলোকৰ সংস্কৃতিত প্ৰাচীন জনজাতীয় বৈশিষ্ট্য উজ্বলভাৱে জিলিকি থকা দেখা যায় ।

৫। চমুটোকা লিখা :

( ক ) জননেতা শৰচন্দ্ৰ সিংহ ( খ ) অম্বিকাচৰণ চৌধুৰী ( গ ) অৰুণ কুমাৰ ৰায় ( ঘ ) ৰুক্মিণী কান্ত ৰায় ( ঙ ) 'দুৰন্ত তৰুণ ' পানীৰাম দাস

উত্তৰঃ জননেতা শৰচন্দ্ৰ সিংহ :- শৰৎচন্দ্ৰ সিংহৰ জন্ম হৈছিল ১৯১৪ চনৰ ১ জানুৱাৰীত । পিতৃৰ নাম লালসিং সিংহ আৰু মাতৃৰ নাম আছিল আয়াচিনি সিংহ । শৰৎচন্দ্ৰ সিংহদেৱ স্বাধীনতাৰ উত্তৰকালৰ অসমৰ ৰাজনীতিত এজন শ্ৰেষ্ঠ ব্যক্তি আছিল । তেওঁ আছিল প্ৰকৃত জনতাৰ নেতা । সেয়ে তেওঁক জননেতা বিশেষণেৰে বিভূষিত কৰা হয় । তেওঁ হাড়ে - হিমজুৱে গান্ধীৰ আদৰ্শত চলা এগৰাকী ব্যক্তি আছিল । তেওঁ বহুমুখী প্ৰতিভাসম্পন্ন এগৰাকী ব্যক্তি আছিল । জনসাধাৰণক সেৱা কৰাটোৱে তেওঁৰ জীৱনৰ সংকল্প আছিল । দুৰ্নীতিমুক্ত ৰাজ্য হিচাপে অসম গঢ়াৰ যি সপোন দেখিছিল তাক বাস্তৱ ৰূপ দিবলৈ জীৱনৰ অন্তিম সময়লৈকে তেওঁ চেষ্টা কৰিছিল । তেওঁ ১৯৭৪ চনৰ পৰা ১৯৭৮ চনলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্য নিৰ্বাহকৰিছিল । তেওঁ ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈ , ১৯৬২ চনৰ পৰা ১৯৬৭ চনলৈ , ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ আৰু ১৯৭৮ চনৰ পৰা ১৯৮২ চনলৈ অসম বিধান সভাৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল । তেওঁ অসমৰ মুখ্যমন্ত্ৰী থকা কালত বহুতো উন্নয়নমূলক কাম কৰিছিল । তেওঁ কৃষি উৎপাদন বৃদ্ধি , কৃষক উন্নয়ন , দৰিদ্ৰতা আৰু দুৰ্নীতি দূৰীকৰণ , গ্ৰাম অৰ্থনীতিৰ উন্নতি আৰু সম্প্ৰসাৰণৰ আদৰ্শ আগত ৰাখি কিছুমান উল্লেখযোগ্য আঁচনি হাতত লৈছিল । তেওঁৰ উল্লেখযোগ্য আঁচনিসমূহ আছিল এনে ধৰণৰ ( ১ ) জৰুৰীকালীন ৰবিশস্য আঁচনি , ( ২ ) গাঁও পঞ্চায়ত সমবায় সমিতি ( ৩ ) কৃষি নিগম ( ৪ ) আকলন পত্ৰ আঁচনি ( ৫ ) তদাৰক কোষ আঁচনি ( ৬ ) পঞ্চায়তীৰাজ ( ৭ ) চিলঙৰ পৰা দিছপুৰলৈ অস্থায়ী ৰাজধানী স্থানান্তৰকৰণ ( ৮ ) খাদ্যশস্যৰ চৰকাৰী ব্যৱসায় আৰু ( ৯ ) শিক্ষানুষ্ঠান সংস্কাৰ আঁচনি ।

জননেতাগৰাকীয়ে ২০০৫ চনৰ ২৪ ডিচেম্বৰৰ মাজ নিশা ৯৩ বছ বয়সত স্বৰ্গগামী হয় ।

( খ ) অম্বিকাচৰণ চৌধুৰী :

উত্তৰঃ  অম্বিকাচৰণ চৌধুৰী :- ১৯৩০ চনৰ ১৬ আগষ্টৰ দিনা বঙাইগাঁও জিলাৰ অন্তৰ্গত , বৰপাৰা নামৰ গাঁৱত অম্বিকাচৰণ চৌধুৰীদেৱৰ জন্ম হৈছিল । তেওঁৰ পিতাকৰ নাম আছিল নৰেশ্বৰ চৌধুৰী আৰু মাকৰ নাম আছিল কাশীশ্বৰী চৌধুৰী । মেধাবী চৌধুৰীদেৱে সৰু কালৰ পৰাই আৰ্থিক অনাটনৰ মাজেদি বঙাইগাঁৱৰ পৰা প্ৰাথমিক আৰু উচ্চ বিদ্যালয়ৰ শিক্ষা লাভ কৰি গুৱাহাটীৰ কটন কলেজৰ পৰা ১৯৫৫ চনত দৰ্শন বিভাগত অনাৰ্চসহ স্নাতক ডিগ্ৰী লয় । পৰৱৰ্তী কালত চিলঙত চাকৰি কৰি থকা অৱস্থাত তেওঁ বি . টি . পাছ কৰে । এম.এ. আৰু বি.এল . ( বৰ্তমান এল . এল . বি ) পঢ়াৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ত নাম লগালেও আৰ্থিক অনাটনৰ কাৰণে চাকৰি কৰিবলগীয়া হোৱাত উক্ত ডিগ্ৰী পাঠ্যক্ৰম তেওঁ সম্পূৰ্ণ কৰিব পৰা নাছিল ।

ছাত্ৰ অৱস্থাৰ পৰাই অম্বিকাচৰণ চৌধুৰীদেৱ বিভিন্ন সামাজিক কামৰ লগত জড়িত আছিল ১৯৫৩-৫৪ চনত কটন কলেজৰ সমাজসেৱা বিভাগৰ সক্ৰিয় সদস্য হৈ থাকোতে পলাশবাৰী , মিৰ্জা অঞ্চলৰ বানপানী আৰু গড়াখহনীয়াত ক্ষতিগ্ৰস্তসকলক সহায়ৰ হাত আগবঢ়োৱাত সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ পৰা প্ৰশংসা লাভ কৰিছিল ।

( গ ) অৰুণ কুমাৰ ৰায় :

উত্তৰঃ অৰুণ কুমাৰ ৰায় :- অৰুণ কুমাৰ ৰায়ৰ জন্ম হয় ১৯২৫ চনৰ ৮ অক্টোবৰত । তেওঁৰ বাসস্থান আছিল বঙাইগাঁৱৰ ছিপন ছিলা গাঁৱত । তেওঁৰ পিতৃৰ নাম আছিল প্ৰকাশ চন্দ্ৰ ৰায় আৰু মাকৰ নাম আছিল অভয়েশ্বৰী ৰায় । চিৰাং জিলাৰ বেংতল প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰি বহলপুৰৰ উচ্চ মাধ্যমিক স্কুলত নাম লগায় । তাৰ পৰা আকৌ বঙাইগাঁও বীৰঝৰা উচ্চ মাধ্যমিক স্কুলত এণ্ট্ৰেন্সলৈকে পঢ়ি তাৰ পিছত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্যলৈ আহি আৰ চি পি আইত যোগদান কৰে । বামপন্থী মতাদৰ্শ প্ৰচাৰৰ বাবে তেওঁ কাৰাবৰণ খাতিবলগীয়া হয় ।

( ঘ ) ৰুক্মিণী কান্ত ৰায় :

উত্তৰঃ ৰুক্মিণী কান্ত ৰায় :- কোচ - ৰাজবংশী সম্প্ৰদায়ৰ পশ্চিম অসমৰ এজন খ্যাতনামা বুদ্ধিজীৱী , শিক্ষাবিদ , ৰাজনীতিবিদ সমাজসেৱী আৰু হাস্যৰসিক ব্যক্তি হিচাপে ৰুক্মিণী কান্ত ৰায়ৰ নাম প্ৰসিদ্ধ । তেওঁ সাধাৰণ নিম্নবিত্ত

পৰিয়ালত জন্ম গ্ৰহণ কৰি , বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা লাভ কৰি জীৱনত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল । তেখেতৰ শৈক্ষিক , সামাজিক - সাংস্কৃতিক , ৰাজনৈতিক , ধৰ্মীয় আদি জীৱনৰ কেওটা ভাগেই সমাজৰ বাবে আদৰ্শ স্বৰূপ । সাধাৰণ ছাত্ৰৰ দৰে গাঁৱৰ এখনি স্কুলত জীৱন আৰম্ভ কৰি নিজৰ মেধাৰ বলত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় পৰা স্নাতকোত্তৰ শ্ৰেণীত অৰ্থনীতি বিভাগত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি অসমৰ এজন মেধাবী ছাত্ৰ বুলি সকলোৰে চকুত পৰিছিল । নিজ সম্প্ৰদায়ৰ আৰু পশ্চিম অসমৰ এজন মেধাবী বুদ্ধিমান ব্যক্তি হিচাপে ৰুক্মিণী কান্ত ৰায় বিখ্যাত আছিল । সামাজিক আৰু সাংস্কৃতিক জীৱনত তেখেতে তেওঁৰ মাতৃভাষা ৰাজবংশী ভাষাক ব্যৱহাৰ কৰি ভাল পাইছিল । তেওঁ বেছিভাগ বক্তৃতাই মাতৃভাষাত দি সকলোৰে মন জয় কৰিছিল ।

( ঙ ) 'দুৰন্ত তৰুণ ' পানীৰাম দাস :

উত্তৰঃ 'দুৰন্ত তৰুণ ' পানীৰাম দাস :- আজীৱন শুভ্ৰ খদ্দৰৰ ধুতী কুৰ্তা পৰিধান কৰা , সময়ৰ বালিত হেৰাই নোযোৱা খোজবোৰৰ অধিকাৰী , ত্যাগ , দেশ প্ৰেমৰ আদৰ্শৰে আপোচহীন অবিৰত সংগ্ৰাম চলাই যোৱা , সমাজকৰ্মী , মুক্তিযুজাৰু পানীৰাম দাসৰ জন্ম হয় ১৯১৭ চনৰ ৭ এপ্ৰিল তাৰিখে মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত জলজলী এটি সাধাৰণ কৃষক পৰিয়ালত । ১৯৩৪ চনত পাথৰিঘাট এম . ই . স্কুলৰ পৰা সুখ্যাতিৰে সপ্তম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হৈ মঙ্গলদৈ হাইস্কুলত নাম লগায় ।  পৰৱৰ্তী সময়ত ১৯৩৭ চনত কলিকতাৰ পৰা কৃতিত্বৰে প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি চলা স্বাধীনতা সংগ্ৰামত যোগ দিয়ে । ১৯৩৮ চনত কংগ্ৰেছত যোগদান কৰি ১৯৪১ চনত মহাত্মা গান্ধীৰ সত্যাগ্ৰহত জড়িত হৈ কাৰাবাস খাটে । তেওঁ নিজৰ দেশৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল । ২০০৫ চনত ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতি ড° এ.পি. জে.আব্দুল কালাম ডাঙৰীয়াই এইগৰাকী স্বাধীনতা সংগ্ৰামীক ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত কৰিছিল । উক্ত চনতে ভাৰতীয় সেনাবাহিনীত ঐতিহাসিক পথৰুঘাটত আয়োজন কৰা কৃষক শ্বহীদ দিৱসত তেওঁক ‘খাদী পৰিহিত সেনাধ্যক্ষ ( The General in Khadi ) উপাধিৰে বিভূষিত কৰিছিল ।

২০১০ চনৰ ৩০ নবেম্বৰত এইজনা স্পষ্টবাদী দুৰন্ত তৰুণ স্বাধীনতা সংগ্ৰামীজনৰ মৃত্যু হয় ।

## [ ( ঙ ) গৰিয়া , মৰিয়া , আৰু দেশীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। বখতিয়াৰ খিলিজিয়ে কেতিয়া অসমত প্ৰৱেশ কৰিছিল ?

উত্তৰঃ বখতিয়াৰ খিলিজিয়ে ১২০৫-০৬ খৃষ্টাব্দত  অসমত প্ৰৱেশ কৰিছিল ।

প্ৰশ্ন ২। বখতিয়াৰ খিলিজি কিহৰ বাবে অসমত প্ৰৱেশ কৰিছিল ?

উত্তৰঃ বখতিয়াৰ খিলিজি তিব্বত চীন জয় কৰাৰ বাবে অসমত প্ৰৱেশ কৰিছিল ।

প্ৰশ্ন ৩। বখতিয়াৰ খিলিজি কাৰ হাতত পৰাস্ত হৈছিল ?

উত্তৰঃ বখতিয়াৰ খিলিজি কামৰূপৰ ৰজা পৃথুৰ হাতত পৰাস্ত হৈছিল ।

প্ৰশ্ন ৪। ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা প্ৰথম জনজাতীয় ৰজাজনৰ নাম কি ?

উত্তৰঃ ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা প্ৰথম জনজাতীয় ৰজাজনৰ নাম হ'ল- ‘আলিমেচ ’

প্ৰশ্ন ৫। অসমত কাক গৰিয়া বোলা হয় ?

উত্তৰঃ অসমত মুছলমান সকলৰ আক্ৰমণৰ পিছত অসমত থাকি যোৱা যুদ্ধ বন্দীৰ অসমীয়া হিন্দু ছোৱালীৰ লগত বৈবাহিক সম্বন্ধৰ প্ৰভাৱত আৰু অসমত ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পীৰ সকলৰ প্ৰভাৱত অনেক হিন্দু ধৰ্মৰ লোক ইচলাম ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল । এনেদৰে ধৰ্মান্তৰিত হোৱা খিলঞ্জীয়া লোকসকল আৰম্ভণিতে মূল সমাজখনৰ

পৰা বাদ পৰি ৰোৱা সমাজখনত অন্তৰ্ভুক্ত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে । এই লোক সকলেই গৰীয়া বা গিয়া বুলি পৰিচিত হ'ল ।

প্ৰশ্ন ৬। আহোম ৰাজত্ব কাললৈকে অসমত একাংশ খিলঞ্জীয়া লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ দুটা কাৰণ বৰ্ণনা কৰা ।

উত্তৰঃ বখতিয়াৰ খিলিজিকে ভিতৰ কৰি মোগল সকললৈকে এই সকলৰ অসম আক্ৰমণৰ উদ্দেশ্যে আহি তাৰে কিছুলোক অসমত যুদ্ধবন্দী হিচাপে থাকি যায় । সেই সকল লোকে অসমৰ হিন্দু ছোৱালী বিয়া কৰোৱাৰ ফলত কিছু হিন্দু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰে । একাংশ খিলঞ্জীয়া লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰা আন এটা কাৰণ হ'ল ইছলাম ধৰ্ম প্ৰচাৰৰ অৰ্থে অসমলৈ অহা পীৰ সকলৰ ধৰ্মৰ বাণী শুনি মোহিত হোৱা । অসমীয়া ভাষা - সাহিত্যৰ ভঁৰাল চহকী কৰা মহান পীৰ হজৰত আজান ফকীৰৰ দ্বাৰা ৰচিত জিকিৰ সমূহ তাৰেই জীৱন্ত উদাহৰণ ।

প্ৰশ্ন ৭। মৰিয়া আৰু দেশী জনগোষ্ঠীৰ বিষয়ে বৰ্ণনা কৰা ।

উত্তৰঃ আহোম ৰাজত্ব কালত কাহ - পিতলৰ সতে জড়িত ইছলাম ধৰ্মাৱলম্বী লোকসকলক মৰিয়া বুলি জনা যায় । মৰিয়া লোকসকলৰ অৱস্থিতি উজনি অসমৰ কিছু অঞ্চল , নগাঁও জিলা , নামনিৰ গুৱাহাটীৰ উজান বজাৰ আৰু হাজোত পোৱা যায় ।

দেশীসকল মূলতঃ অবিভক্ত গোৱালপাৰা জিলাৰ বাসিন্দা । অবিভক্ত গোৱালপাৰাৰ কোচ - ৰাজবংশী ভাষা - সংস্কৃতিসম্পন্ন ইছলাম ধৰ্মী খিলঞ্জীয়া লোকসকলক দেশী বা দেশী মুছলমান বুলি জনা যায় । দেশী সকল মূলতঃ কোচ - ৰাজবংশী , মেচ কছাৰী আদি খিলঞ্জীয়া জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত হোৱা লোক ।

প্ৰশ্ন ৮। চমুটোকা লিখা—

( ক ) বাঘ হাজৰিকা , ( খ ) আজান ফকীৰ চাহাব , ( গ ) চৈয়দ আব্দুল মালিক ( ঘ ) নবাব ছেহিদুৰ ৰহমান ।

( ক ) বাঘ হাজৰিকা :

উত্তৰঃ বাঘ হাজৰিকা :- প্ৰকৃত নাম ইছমাইল ছিদ্দিকী । বাঘৰ সৈতে যুদ্ধ কৰি পৰাভূত কৰা শক্তিৰ বাবে বাঘ নাম অৰ্জন কৰিছিল । অদম্য সাহস আৰু কৰ্মদক্ষতাৰ বাবে আহোম ৰাজত্বকালত হাজৰিকা পদবী লাভ কৰিছিল । শৰাইঘাট ৰণত লাচিত বৰফুকনৰ সহযোগী পালি সেনাপতিৰূপে প্ৰৱল পৰাক্ৰমেৰে মোগলৰ বিৰুদ্ধে যুঁজিছিল ।

( খ ) আজান ফকীৰ চাহাব :

উত্তৰঃ আজান ফকীৰ চাহাব :- যিসকল মুছলমান ধৰ্মগুৰুৱে পৱিত্ৰ ইছলাম ধৰ্মৰ বাণীসমূহ সহজ - সৰল ভাষাত জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল , তাৰ ভিতৰত আজান ফকীৰ অন্যতম । আজান ফকীৰৰ অন্য নাম শাহ মিলান । আজান ফকীৰ চাহাব সুদূৰ বাগদাদৰ পৰা ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ ভুমি অসমত থাকিবলৈ লৈছিল বুলি কোৱা হয় । কিন্তু তেওঁৰে ৰচিত দুই - এটা জিকিৰত থকা ' ভিখাৰী আজানে কয় আহো পৰদেশ , ভাটিৰ পৰা আহিল চাহাব দাড়ি পৰ্কা', এই বাক্যটোত পৰদেশ আৰু ভাটি শব্দই তেওঁক পশ্চিম অসমৰ কামৰূপ , গোৱালপাৰা আদি ঠাইৰ পৰা অহাও বুজাব পাৰে । আজান পীৰ বা শাহ মিলানৰ নামত প্ৰচলিত আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ । জিকিৰসমূহৰ ৰচনা কাল কোনো কোনোৰ মতে ১৬৩৪ খ্ৰীষ্টাব্দ আৰু কোনো কোনোৰ মতে ১৭৩৪ খ্ৰীষ্টাব্দ । ৰজা গদাধৰ সিংহৰ দিনত ৰূপাই গৰীয়া দা - ধৰা নামৰ এজন ইছলামধৰ্মী বিষয়াৰ চক্ৰান্তত পৰি ৰজাই তেওঁৰ চকু কঢ়াইছিল যদিও ৰজাই পিছত নিজৰ ভুল উপলব্ধি কৰিব পাৰি তেওঁক সৰাগুৰি চাপৰিত মাটি - বৃত্তি দি স্থায়ীভাৱে থাকিবলৈ দিয়ে । তাতেই তেওঁৰ মৃত্যু হয় । তেওঁ নিতৌ পুৱা - গধূলি মছজিদত আজান দিয়াৰ বাবে মানুহে তেওঁক আজান ফকীৰ বুলি কৈছিল ।

( গ ) চৈয়দ আব্দুল মালিক :

উত্তৰঃ চৈয়দ আব্দুল মালিক :- গোলাঘাট জিলাৰ নাহৰণি গাঁৱত চৈয়দ পৰিয়ালত ১৯১৯ চনৰ ১৬ মে তাৰিখে আব্দুল মালিকৰ জন্ম হয় । পিতৃৰ নাম চৈয়দ ৰহম্মত আলী । তেওঁ এগৰাকী স্বনামধন্য সাহিত্যিক আছিল । ১৯৩৫ চনত 'বন্ধ কোঠা' নামৰ গল্প এটা প্ৰথম প্ৰকাশ পোৱাৰ পিছৰে পৰা তেওঁ মৃত্যুৰ আগমুহূৰ্তলৈকে লিখি যোৱা গল্প , উপন্যাস , নাটক , কবিতা - পুথিৰে অসমীয়া সাহিত্য চহকী কৰি থৈ গৈছে । তেওঁ ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ গুৱাহাটী

বিশ্ববিদ্যালয়ৰ লোক - সংস্কৃতি বিভাগৰ গৱেষণা আঁচনিৰ অধীনত অসমীয়া জিকিৰ আৰু জাৰী বিষয়ক গৱেষণা কৰে। 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাডেমীৰ বঁটা লাভ কৰিছিল। ১৯৯৭ চনত অসম সাহিত্য সভাই তেওঁক সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰে। ১৯৯২ চনত অসম উপত্যকা বঁটা , ১৯৯৩ চনত আজান ফকীৰ বঁটা , ১৯৮৮ চনত হাৰ্মনী বঁটা , ১৯৯৫ চনত মহাপুৰুষ শংকৰদেৱৰ জীৱনকৰ্মৰ আধাৰত লিখা ‘ ধন্য নৰ তনু ভাল ’ নামৰ উপন্যাসখনৰ বাবে শংকৰদেৱ বঁটা লাভ কৰে। এই গৰাকী সাহিত্যিকে ২০০২ চনৰ ১৯ ডিচেম্বৰত ইহলীলা সম্বৰণ কৰে।

( ঘ ) নবাব ছেহিদুৰ ৰহমান :

উত্তৰঃ নবাব ছেহিদুৰ ৰহমান :- সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত গঠন হোৱা ‘আজাদ হিন্দ ফৌজ’ৰ এগৰাকী অন্যতম নেতা আছিল। ভাৰতৰ স্বাধীনতা যুদ্ধত ‘আজাদ হিন্দ ফৌজ’ৰ এইগৰাকী অসমীয়াই আছিল আজাদ হিন্দ ফৌজৰ প্ৰথম অসমীয়া শ্বহীদ। দ্বিতীয় মহাযুদ্ধৰ সময়ত মিত্ৰ বাহিনীৰ বোমা বৰ্ষণত তেওঁৰ ১৯৪৫ চনৰ ৩১ মাৰ্চত মৃত্যু হয়।

## [ ( চ ) গাৰোসকল ]

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। গাৰোসকলৰ উপজনগোষ্ঠীবোৰ কি কি ?

উত্তৰঃ গাৰো সকলৰ উপ - জনগোষ্ঠীবোৰ হ’ল— আমবেং , মাতছি , মাতাবেং , গাৰা গামচি , দুৱাল , ৰুগা - আৰু মেগাম।

প্ৰশ্ন ২। গাৰো বসতি প্ৰধান অঞ্চলবোৰ কি কি ?

উত্তৰঃ পশ্চিম বঙ্গৰ পৰা আদি কৰি উত্তৰ - পূৰ্বাঞ্চলৰ প্ৰায় প্ৰতিখন ৰাজ্যত গাৰোসকল সিঁচৰতি হৈ থকাৰ উপৰিও বাংলা দেশতো বহু ঠাইত এই জনগোষ্ঠীৰ লোক সিঁচৰতি হৈ আছে। যাইকৈ এওঁলোক গাৰো পাহাৰত আৰু আন এটা গোটে বাংলা দেশত থাকিবলৈ লয়।

প্ৰশ্ন ৩। গাৰৰ সকলৰ পূজা কৰা লোকক কি বুলি কোৱা হয় ?

উত্তৰঃ গাবোসকলৰ পূজা কৰা লোকক সংসাবেক বুলি কোৱা হয়।

প্ৰশ্ন ৪। গাৰোসকল আদিতে কি ধৰ্মৰ আছিল আৰু পিছত কি ধৰ্ম গ্ৰহণ কৰিলে ?

উত্তৰঃ গাৰোসকল আদিতে দেৱ - দেৱীৰ পূজা অৰ্চনা কৰা হিন্দুধৰ্মলোক আছিল। পিছত উনৈশ শতিকাৰ আৰম্ভণিৰ পৰা তেওঁলোকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিলে।

প্ৰশ্ন ৫। গাৰোসকলৰ প্ৰধান বাদ্যযন্ত্ৰ সমূহ কি কি ?

উত্তৰঃ গাৰোসকলৰ প্ৰধান বাদ্যযন্ত্ৰ সমূহ হ'ল— ঢামা খ্ৰাম ( ঢোল ) , গগণা , ম'হৰ শিঙেৰে নিৰ্মিত বাঁহৰ পাইপ লগোৱা বাংসী বাঁহী আদি।

প্ৰশ্ন ৬। চমু টোকা লিখা :

( ক ) ৰামখে ওৱাখ্ৰে মোমিন ( খ ) ৰেভা , গিলবাৰ্থ কে মাৰাক ( গ ) সোনাৰাম ৰংৰকগ্ৰে সাংমা ( ঘ ) হাৱাৰ্ড ডেনিচন মোমিন।

( ক ) ৰামখে ওৱাখ্ৰে মোমিন :

উত্তৰঃ ৰামখে ওৱাগ্ৰে মোমিন :- মেঘালয়ৰ বৰ্তমান উত্তৰ গাৰো পাহাৰত অৱস্থিত মাটছক গ্ৰে নামৰ সৰু এখন পাহাৰীয়া গাঁৱত ১৮৩৪ চনত ৰামখে ওৱাগ্ৰে মোমিনে জন্ম গ্ৰহণ কৰিছিল ।

১৮৬৩ চনৰ ৮ ফেব্ৰুৱাৰীত ৰামখেই ৰেভাৰেণ্ট ড° মাইলচ ব্ৰনচনৰ দ্বাৰাই গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাটত খ্ৰীষ্টান ধৰ্মত বাপ্তিষ্ট লৈছিল । তাৰ কিছুদিনৰ পিছতে দামৰালৈ আহি ৰামখেই এখন স্কুল স্থাপন কৰিছিল আৰু অধ্যক্ষ হিচাপে কাম কৰিছিল । ৰামখে ওৱাগ্ৰে মোমিনে খ্ৰীষ্টান মিচনসমূহৰ ভাৰপ্ৰাপ্ত মিচনাৰী হিচাবেও কাম কৰিছিল । মিচনসমূহৰ ভিতৰত বৰ্তমান উত্তৰ গাৰো পাহাৰত অৱস্থিত ৰাজা শিমলা গাৰো বসতি গাঁৱত চল্লিশজনীয়া সদস্যৰে পোন প্ৰথমে এখন খ্ৰীষ্টান মিচন হিচাবে এটি গীৰ্জা ঘৰ স্থাপন কৰিছিল ।

তেওঁৰ হাতেৰে লিখা 'কলা আৰু সংস্কৃতি' বিষয়ক কিতাপখন মেঘালয় চৰকাৰে ১৯৯০ চনত প্ৰকাশ কৰিছিল । তেওঁৰ লিখিত ৪৫০০০ শব্দৰে বঙালী - গাৰো অভিধানখন চিৰস্মৰণীয় হৈ থাকিব । ৰামখে ওৱাগ্ৰে মোমিনে লিখা কবিতাসমূহ হ'ল- ( ১ ) ১৮৮১ চনত ‘বিচিক খ্ৰিতা' ( ২ ) চনত 'চিমানো আটছিয়ানি' ( ৩ ) ১৮৮৩ চনত 'ৰিপেংতাংখো নিকগ্ৰিকানি' ( ৪ ) ১৮৮৪ চনত  'আ.আকো দাকানি' আৰু ( ৫ ) ‘ড’ অৰং’ ।

( খ ) ৰেভা , গিলবাৰ্থ কে মাৰাক :

উত্তৰঃ ৰেভা , গিলবাৰ্থ কে মাৰাক :- ১৯২৫ চনত গিলবাৰ্থ কে মাৰাক পশ্চিম খাচিয়া পাহাৰ আৰু দক্ষিণ কামৰূপ জিলাৰ সীমান্তত অৱস্থিত ৰাংসাপাৰা গাঁৱত জন্ম গ্ৰহণ কৰিছিল । তেওঁ ৰেভা , ৰামখে আৰু সাংমাৰ একমাত্ৰ পুতেক আছিল । তেওঁ ১৯৩৩ চনত প্ৰাথমিক শিক্ষা সাং কৰিছিল । ১৯৪১ চনত উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা মাত্ৰে ড ভিক্টৰ হিউগ'স্বৰ্ড ৰ সহযোগত চেৰাপুঞ্জি থিয়লজিকেল কলেজত পঢ়িবলৈ সুবিধা লাভ কৰিছিল আৰু ১৯৪৯ চনত এল . টি . এইচ . পৰীক্ষাত উত্তীৰ্ণ হৈছিল । গিলবাৰ্থ কে মাৰাক ১৯৬০ চনত লিনাৰ্ড থিওলজিকেল কলেজৰ পৰা 'ডিগ্ৰী অব বেচালৰ অৱ ৰেলিজিয়াচ ইডুকেশন’ লাভ কৰিছিল । গিলৱাৰ্থ কে মাৰাক কামৰূপ জিলাৰ গোহলকোনা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল ।

( গ ) সোনাৰাম ৰংৰকগ্ৰে সাংমা :

উত্তৰঃ সোনাৰাম ৰংৰকগ্ৰে সাংমা :- সোনাৰাম ৰংৰকগ্ৰে সাংমা উত্তৰ - পূৱ গাৰো পাহাৰ আৰু গোৱালপাৰা জিলাৰ সীমান্তত অৱস্থিত নাছিৰংদিক নামৰ গাঁৱত ১৮৬৭ চনত জন্ম গ্ৰহণ কৰিছিল । তেওঁৰ পিতৃৰ নাম থলাং গাবিল মোমিন আৰু মাতৃৰ নাম ছামৰে ৰংৰকগ্ৰে সাংমা আছিল । নিশানগ্ৰামত প্ৰাথমিক শিক্ষা শেষ কৰি তেওঁ তুৰা মিচন স্কুলত ষষ্ঠ শ্ৰেণীলৈ পঢ়িছিল । সেই সময়ত গাৰো পাহাৰত ষষ্ঠ শ্ৰেণীৰ ওপৰত শ্ৰেণী থকা বিদ্যালয় অৰ্থাৎ উচ্চ মাধ্যমিক বিদ্যালয় ক'তো নাছিল । গতিকে সোনাৰামৰ শিক্ষা যষ্ঠ শ্ৰেণীতে সমাপ্ত হৈছিল । তেওঁ আছিল সাহসী , আত্মবিশ্বাসী , আনক সেৱা কৰি ভাল পোৱা আৰু মৰম - চেনেহ থকা । তদুপৰি তেওঁৰ আটাইতকৈ ভাল গুণ আছিল পৰৰ নিন্দনীয় বাক্যবোৰ হেয়জ্ঞান কৰা , বিভিন্ন ধৰণৰ অন্যায় - অত্যাচাৰবোৰ সহ্য কৰিব পৰা বিধৰ গুণবোৰো সোনাৰামৰ আছিল । সোনাৰামে সদায় অত্যাচাৰ - উৎপীৰণৰ বিৰোধিতা কৰিছিল আৰু সেইবোৰ সমূলঞ্চে নিৰ্মূল কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল ।

( ঘ ) হাৱাৰ্ড ডেনিচন মোমিন :

উত্তৰঃ হাৱাৰ্ড ডেনিচন মোমিন :- হাৱাৰ্ড ডেনিচন মোমনিক 'আধুনিক গাৰো সাহিত্যৰ জনক’ বুলি আখ্যা দিয়া হৈছিল । তেৱেঁই পোন প্ৰথমে 'Achik ku - rang ' অৰ্থাৎ ‘গাৰো মানুহৰ মাত’ নামৰ গাৰো ভাষাৰ এখন আলোচনী প্ৰকাশ কৰিছিল ।

প্ৰথমাৱস্থাত শিক্ষকতাই তেওঁৰ জীৱিকাৰ মূল পথ আছিল । কিন্তু পিছৰ কালছোৱাত সামাজিক কামত ব্যস্ততাৰে জীৱন অতিবাহিত কৰিছিল ।

১৯১৩ চনৰ ২০ ফেব্ৰুৱাৰীত মেঘালয়ৰ সৰু চহৰ তুৰাত হাৱাৰ্ড ডেনিচনৰ জন্ম হৈছিল । তেওঁৰ পিতৃ জবাং ডি মাৰাক আমেৰিকালৈ পঢ়িবলৈ যোৱা গাৰৰ সম্প্ৰদায়ৰ ভিতৰত প্ৰথমজন ব্যক্তি আছিল । জবা ডি মাৰাক ১৯০৫ চনৰ পৰা ১৯১১ চনলৈকে আমেৰিকাৰ হাৱাৰ্ড বিশ্ববিদ্যালয়ৰ ‘ডেনিচন স্কুলত' শিক্ষা লাভ কৰিছিল । তাৰে স্মৃতিস্বৰূপে তেওঁ নিজৰ জ্যেষ্ঠ পুত্ৰৰ নাম  'হাৰৱাৰ্ড ডেনিচন ডব্লিউ মোমিন’ বুলি ৰাখিছিল । ইয়াৰ অৰ্থ শিক্ষা আৰু ধৰ্মৰ উৎপত্তি

। হাৰৱাৰ্ড ডেনিচন ডব্লিউ মোমিনে কলিকতাত পঢ়ি থকা অৱস্থাত তেওঁৰ নাম ‘হাৰ্ৱাৰ্ড ডেনিচন মোমিন’ নামেৰে সলনি কৰিছিল ।

## [ ( ছ ) চাওতালসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে 'চাওতাল' শব্দটো ক’ৰ পৰা উৎপত্তি হৈছে ?

উত্তৰঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে 'চাওতাল' সংস্কৃত “ সামন্তৰাল ” শব্দৰ পৰা উৎপত্তি হৈছে ।

প্ৰশ্ন ২। চাওতাল সকলৰ প্ৰধান জীৱিকা কি ?

উত্তৰঃ চাওতাল সকলৰ প্ৰধান জীৱিকা হ'ল-কৃষি ।

প্ৰশ্ন ৩। 'মোড়ে হোড়ৰ ' ( পাঁচজনৰ ) প্ৰধানজনক কি বুলি কোৱা হয় ?

উত্তৰঃ মোড়ে হোড়ৰ প্ৰধান জনক ‘ গাঁওবুঢ়া ’ বা 'মাঝহি' বুলি কোৱা হয় ।

প্ৰশ্ন ৪। চাওতাল সকলৰ উপাধি বা গোত্ৰ কেইটা আৰু কি কি ?

উত্তৰঃ চাওতাল সকলৰ উপাধি বা গোত্ৰ বাৰটা ; এই কেইটা হ'ল মুমু, হেম্ৰম, কিস্কু , বেছৰা , চৰেণ , বাস্কে , হামদাঃ , মাৰ্ডি , চেঁড়ে , পাউৰীয়া আৰু বেদেয়া । ইয়াৰ উপৰি প্ৰতিটো গোত্ৰৰে উপগোত্ৰ যেনে মুমুৰ উপগোত্ৰৰ ঠাকুৰ , কিস্কুৰ উপগোত্ৰৰ ৰাজাপ আদি ।

প্ৰশ্ন ৫। চাওতাল সকলৰ কলা - কৃষ্টিৰ বিষয়ে চমুকৈ লিখা ।

উত্তৰঃ চাওতাল সকলৰ প্ৰধান উৎসৱ হ'ল বাহা আৰু চহৰাই । নৃত্য - গীত সমূহৰ ভিতৰত দং নৃত্য , সংগীত , লাংগঁড়ে , নৃত্য , লাংগঁড়ে গীত , চহৰাই , বাহাগীত আদি ।

নৃত্য - গীতত ব্যৱহাৰ কৰা বাদ্যসমূহ হ'ল— তামাক , তুমদাঃ , কৰতাল , ঢোল আদি ।

বিবাহ উৎসৱত কাঁহৰ পাত্ৰ — থাল , বাটি লোটা ব্যৱহাৰ কৰে ।

প্ৰশ্ন ৬। চাওতাল সকলৰ সামাজিক জীৱনৰ বৰ্ণনা দাঙি ধৰা ।

উত্তৰঃ চাওতাল সকলৰ সামাজিক জীৱন - প্ৰক্ৰিয়া অতি সুকীয়া । তেওঁলোকে গাঁও পাতি বাস কৰে । গাঁৱৰ জনসাধাৰণক প্ৰণালীবদ্ধভাৱে শাসন কৰিবলৈ গাঁৱৰ ৰাইজৰ পৰা পাঁচজন মানুহক বাছনি কৰি শাসন কৰাৰ দায়িত্ব অৰ্পণ কৰে । সেই পাঁচজনক ‘ মোড়ে হোড় ’ কোৱা হয় । মোড়ে হোড়ৰ প্ৰধানজনক গাঁওবুঢ়া বা 'মাঝহি ’ বুলি কোৱা হয় । গাঁৱত কিবা বিশৃঙ্খলতা হ'লে গাঁৱত 'মাঝাহি'ৰ ওচৰত অভিযোগ দাখিল কৰা হয় । সেই অভিযোগৰ ভিত্তিত মাঝাহিজনে পাঁচজনৰ এজন 'গড়ে’ক গাঁৱৰ ৰাইজক সমবেত কৰাবলৈ দায়িত্ব দিয়ে । তেনে প্ৰক্ৰিয়াৰে সমাজৰ যিকোনো সমস্যাৰ সমাধান কৰা হয় ।

প্ৰশ্ন ৭ শব্দাৰ্থ

উত্তৰঃ সিন্দুৰ থাপি — হালধি সনা সাজ - পাৰ ।

টটড়বা – টুপী ।

হোৰঃ বান্দে – সাজ - পাৰ ।

মাঝহি – গাওবুঢ়া ।

পাড়হাণ্ড – লুংগী ।

প্ৰশ্ন ৮। চমুটোকা লিখা ।

( ক ) বিনোডিক্ট হেশ্ৰম ( খ ) বদন হাসদা ( গ ) মিথিয়াছ টুডু ( ঘ ) ৰাহেল কিস্কু ।

( ক ) বেনেডিক্ট হেশ্ৰম :

উত্তৰঃ বেনেডিক্ট হেশ্ৰম :- কালৰ গতিত বেনেডিক্ট হেম্ব্ৰমৰ  কায়িক মৃত্যু হলেও , চাওতালি ভাষা সাহিত্যলৈ আগবঢ়োৱা অতুলনীয় অৱদানে তেওঁক সমাজত অমৰ কৰি ৰাখিছে । তেওঁৰ পিতৃৰ নাম ডাটু লক্ষণ হেম আৰু মাতৃৰ নাম ৰাণী চৰেন । তেওঁলোকৰ একমাত্ৰ লৰা সন্তান বেনেডিক্ট হেম্ব্ৰমৰ জন্ম ১৯৬৭ চনৰ ১৮ অক্টোবৰত , কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ অন্তৰ্গত পলাশগুৰি ( জিয়াডাঙ্গা ) গাঁৱত হৈছিল ।

তেওঁ প্ৰাথমিক শিক্ষা গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত আৰম্ভ কৰি ১৯৯৩ চনত কটন কলেজৰ পৰা সুখ্যাতিৰে উদ্ভিদবিজ্ঞানত এম . এছ . ছি ডিগ্ৰী লাভ কৰে । নামনি অসমত চাওতাল জনগোষ্ঠীৰ পৰা এম . এছ . ছি . অৰ্জন কৰা প্ৰথম ব্যক্তি তেৱেঁই আছিল ।

তেওঁ গোসাইগাঁও বি . এড কলেজৰ পৰা বি..এড . ডিগ্ৰী লাভ কৰি গ্ৰাহামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে । তেওঁৰ চাকৰি - জীৱনকালতে চাওতালি ভাষা আৰু সাহিত্য গৱেষণা কেন্দ্ৰৰ সভাপতিৰ দায়িত্ব লাভ কৰে । তেওঁৰ নেতৃত্বত স্বৰ্গীয় লুবীন্দ্ৰনাথ চৰেন আৰু শ্ৰীসুবোধ বাস্কেৰ কঠোৰ পৰিশ্ৰমৰ ফলত চাওতালি পাঠ্যপুথি অসম চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা আৰম্ভ কৰে । চাওতালি সাহিত্যত কেইবাটাও কবিতা , প্ৰৱন্ধ আদি লিখাৰ উপৰিও অসমত তেৱেঁই প্ৰথমে চাওতালি ব্যাকৰণ প্ৰস্তুত কৰি উলিয়াই চাওতালি ভাষা - সাহিত্যক সমৃদ্ধ কৰে ।

( খ ) বদন হাসদা :

উত্তৰঃ বদন হাসদা :- কোকৰাঝাৰ জিলাৰ থাপৰগাঁৱত ১৯৫৭ চনত বদন হাসদাৰ জন্ম হৈছিল । তেওঁৰ পিতৃৰ নাম মাঝি হাসদা আৰু মাতৃৰ নাম চলমা বেছৰা আছিল ।

বদন হাসদা কোকৰাঝাৰ কলেজত আই.এ. লৈকে পঢ়ি স্বজনগোষ্ঠীটোক শিক্ষা - দীক্ষা , সামাজিক , অৰ্থনৈতিক দিশত স্বাৱলম্বী কৰি তুলিবলৈ উঠিপৰি লাগে আৰু তেওঁৰ নেতৃত্বত ১৯৮০ চনত সদৌ অসম চান্থাল ছাত্ৰ সন্থা গঠিত হয় । সেই একে উদ্দেশ্য লৈ তেওঁৰ নেতৃত্বত ১৯৮৬ চনত আদিবাসী সেৱা সমিতিও গঠিত হয় আৰু তেওঁ সুদীৰ্ঘ পোন্ধৰ বছৰ কাল আদিবাসী সেৱা সমিতিৰ কেন্দ্ৰীয় কমিটিৰ সভাপতি পদত অধিষ্ঠিত হৈ থাকে । তেওঁ অসম চান্থালী সাহিত্য সভাৰ উপদেষ্টা আছিল ।

১৯৯৬ চনত হোৱা গোষ্ঠীগত সংঘৰ্ষত অশান্ত জৰ্জৰ অঞ্চলত শান্তি স্থাপনত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল । সেই কৰ্মৰ বাবে কোকৰাঝাৰ জিলাৰ উপায়ুক্তই তেওঁক শান্তি আৰু ঐক্য'ৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰিছিল । ২০০৩ চনত বি.টি.চি. চুক্তি স্বাক্ষৰ হোৱাৰ পাছত কোকৰাঝাৰ জিলা চান্থাল জনগোষ্ঠীৰ পৰা তেওঁ পৰিষদত কাৰ্যবাহী সদস্য পদত অধিষ্ঠিত হয় ।

তেওঁ ০১-০৫-২০০৭ তাৰিখে দুৰ্বৃত্তৰ আক্ৰমণত প্ৰাণ হেৰুৱায়।তেওঁৰ অৱদান বি.টি.চি.ৰ ইতিহাসত সোণালী আখৰেৰে লিপিৱদ্ধ হৈ থাকিব ।

( গ ) মিথিয়াছ টুডু :

উত্তৰঃ মিথিয়াছ টুডু :- অসমত চাওতাল জনগোষ্ঠীৰ পৰা ওলাই অহা ভোটাতৰা আছিল মিথিয়াছ টুডু । তেওঁৰ জন্ম ১৯৩০ চনৰ ১৫ তাৰিখে কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ চান্থাল কলনীৰ গাঁৱত মাটিয়াজুৰীত হৈছিল । তেওঁৰ পিতৃৰ নাম ৰেভাৰেণ্ড কানহু টুডু আৰু মাতৃৰ নাম মাৰথা মুৰ্মু আছিল । তেওঁ প্ৰাথমিক শিক্ষা মাটিয়াজুৰী

প্ৰাথমিক বিদ্যালয়ত আৰম্ভ কৰি কটন কলেজৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে । পশ্চিমবঙ্গৰ বেৰহামপুৰৰ পৰা বি.টি. ডিগ্ৰী অৰ্জন কৰিছিল ।

টুডুৱে ১৯৫৪ চনত গ্ৰাহামপুৰ হাইস্কুলৰ প্ৰধান শিক্ষক হিচাবে চাকৰি জীৱন আৰম্ভ কৰে । ইয়াৰ পাছত ৰাহেল চৰেনৰ লগত বিবাহ হয় । স্বৰ্গীয় মিখিয়াছ টুডু ১৯৫৭ চনত প্ৰথমবাৰৰ বাবে গোসাইগাঁও বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ বিধায়ক হিচাবে নিৰ্বাচিত হয় । তেওঁ ১৯৫৭ চনৰ পৰা ১৯৯১ চনলৈকে একেৰাহে সাতবাৰ বিধায়কৰ আসন অলংকৃত কৰে । তেওঁ ১৯৭২-১৯৭৮ চন কালছোৱাত অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী আছিল । তেওঁ অষ্টমবাৰ ২০০১ পৰা ২০০৫ চনলৈকে বিধায়ক হৈ অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী হৈছিল । ইয়াৰ পাছত তেওঁ ২০০৫ চনৰ পৰা ২০১০ চনলৈকে চৰকাৰৰ কুৰি দফীয়া আঁচনিৰ উপ - সভাপতি আছিল ।

( ঘ ) ৰাহেল কিস্কু :

উত্তৰঃ ৰাহেল কিস্কু :- ৰাহেল কিস্কুৰ কোকৰাঝাৰ জিলাৰ গোসাইগাঁও থানাৰ অন্তৰ্গত বৰচনপুৰ গাঁৱত ১৯২৫ চনত জন্ম হৈছিল । তেওঁৰ দেউতাৰ নাম জহন কিস্কু আৰু মাকৰ নাম লুক্ষী মুৰ্মু আছিল ।

ৰাহেল কিস্কুৰ সৰু কালৰে পৰা পঢ়া - শুনাৰ প্ৰতি ধাউতি আছিল । স্কুলীয়া জীৱন হাৰাফুটা মিশন স্কুলত আৰম্ভ কৰিছিল আৰু লক্ষৌৰ এখন মহাবিদ্যালয়ৰ পৰা ১৯৫১ চনত স্নাতক ডিগ্ৰী লাভ কৰে । ৰাহেল কিস্কুৱে আছিল প্ৰথম চান্থাল মহিলা স্নাতক ।

ৰাহেল কিস্কু চাকৰিত থকা কালত সমাজৰ দুখীয়া শ্ৰেণীৰ মহিলাসকলৰ আৰ্থিক উন্নয়নৰ বাবে নিজৰ পুঁজি খটুৱাই চিলাই প্ৰশিক্ষণ কেন্দ্ৰ খুলি মহিলাসকলক বিনামূলীয়া শিক্ষা প্ৰদান কৰিছিল ।
তেওঁ সমাজৰ দুনীতি নিবাৰণ , মদৰ প্ৰচলন বন্ধ কৰা , ডাইনী হত্যা বন্ধ কৰা , মহিলাৰ মাজত শিক্ষাৰ প্ৰসাৰৰ বাবে সজাগতা সৃষ্টি কৰিছিল ।

সহশিক্ষয়িত্ৰী হিচাপে ১৯৫২ চনত গ্ৰাহামপুৰ হাই স্কুলত তেওঁ চাকৰি জীৱন আৰম্ভ কৰে আৰু ১৯৮০ চনত প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰে ।

## [ ( জ ) চাহ জনগোষ্ঠীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। অসমৰ প্ৰথম চাহ বাগিচা কোনখন আৰু কেতিয়া স্থাপন হৈছিল ?

উত্তৰঃ চাবুৱা চাহ বাগিচাখনেই অসমৰ প্ৰথম চাহ বাগিচা আৰু ই স্থাপন হৈছিল ১৮৩৫ চনত ।

প্ৰশ্ন ২। অসমৰ প্ৰথম চাহ কোম্পানীৰ নাম কি আৰু কেতিয়া স্থাপন হৈছিল ?

উত্তৰঃ 'অসম চাহ কোম্পানী' ( The Assam Tea Company ) । ই স্থাপন হৈছিল ১৮৩৯চনত ।

প্ৰশ্ন ৩। গিৰমিটিয়া আৰু আড়কাঠিয়া চালানৰ বিষয়ে কি জানা লিখা ।

উত্তৰঃ অসমত চাহ বাগিচাত কাম কৰাৰ কাৰণে শ্ৰমিকৰ অভাৱ হৈছিল । সেয়ে চীন দেশ আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা শ্ৰমিক সংগ্ৰহ কৰিবৰ বাবে কিছুমান মধ্যভোগী নিয়োগ কৰিছিল । এইসকল মধ্যভোগীয়ে পশ্চিমবংগ , বিহাৰ , ঝাৰখণ্ড , ছত্তিশগড় , মধ্যপ্ৰদেশ , উত্তৰ প্ৰদেশ , অন্ধ্ৰপ্ৰদেশ , মাদ্ৰাজ আদি ৰাজ্যৰ পৰা শ্ৰমিক সংগ্ৰহ কৰি আনিছিল । এনেদৰে অসমলৈ শ্ৰমিক সংগ্ৰহ কৰি অনা কাৰ্যক মজদুৰ চালান বুলি কোৱা হৈছিল । মজদুৰ চালান দুই ধৰণৰ আছিল ; এটা হল গিৰমিটিয়া চালান আৰু আনটো হল আড়কাঠিয়া চালান । লিখিত চুক্তি অনুসৰি নিৰ্দিষ্ট সময়ৰ বাবে শ্ৰমিক অনাটোক গিৰমিটিয়া চালান আৰু কোনো চুক্তি নকৰাকৈ চলে বলে কৌশলে সংগ্ৰহ কৰাটোক আড়কাঠিয়া চালান বুলি কোৱা হৈছিল ।

প্ৰশ্ন ৪। চাহ জনগোষ্ঠী সমাজৰ দহটা জাতি - উপজাতিৰ নাম লিখা ।

উত্তৰঃ চাহজনগোষ্ঠী সমাজৰ অনেক জাতি - উপজাতি আৰু সম্প্ৰদায় আছে । তাৰে দহটাৰ নাম লিখা হ'ল — ওৰাওঁ , মুণ্ডা , চাওতাল , কুৰ্মী , তাঁতী , ঘাটোৱাৰ , গোৱালা , তাছা , তেলী , কমাৰ ।

প্ৰশ্ন ৫। চাহ জনগোষ্ঠীৰ মাজত কি কি ধৰ্মৰ লোক আছে ?

উত্তৰঃ চাহ জনগোষ্ঠীৰ মাজত হিন্দু আৰু খ্ৰীষ্টানধৰ্মী লোকৰ সংখ্যা সৰহ । অনুকূল ঠাকুৰৰ অনুগামীও কিছু সংখ্যক আছে ।

প্ৰশ্ন ৬। স্বাধীনতা সংগ্ৰামৰ প্ৰথম মহিলা ছহিদ কোন ?

উত্তৰঃ বৰ্তমানৰ শোণিতপুৰ জিলাৰ তেজপুৰ এগু ঘগৰা টি ইষ্টেটৰ মাংৰি ওৰাওঁ আছিল স্বাধীনতা সংগ্ৰাম প্ৰথম মহিলা ছহিদ । এওঁ ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি ছহিদ হৈছিল ।

প্ৰশ্ন ৭। অসম আন্দোলনত জীৱন উছৰ্গা কৰা চাহ বাগিচাৰ প্ৰথম ছহিদ কোন ?

উত্তৰঃ ১৯৮০ চনত মৃত্যু বৰণ কৰা দৰং জিলাৰ কৌপাতি চাহ বাগিচাৰ সাধনা ওৰাওঁ হ'ল অসম আন্দোলনত জীৱন উছৰ্গা কৰা চাহ জনগোষ্ঠীৰ প্ৰথম ছহিদ ।

প্ৰশ্ন ৮। চমুকৈ লিখা ।

( ক ) মেঘৰাজ কৰ্মকাৰ ( খ ) সন্তোষ কুমাৰ তপ্ন ( গ ) চাইমক সিংহ  হ'ৰ

( ক ) মেঘৰাজ কৰ্মকাৰ :

উত্তৰঃ মেঘৰাজ কৰ্মকাৰ :- চাহ জনগোষ্ঠীসকলৰ যিসকল লোকে অসমীয়া ভাষা - সাহিত্য চৰ্চা কৰি সুনাম অৰ্জন কৰিছে তাৰে ভিতৰত উজনি অসমৰ জামিতা চাহবাগিচাৰ মেঘৰাজ কৰ্মকাৰ হ'ল প্ৰথম সাহিত্যিক পেঞ্চনাৰ । তেওঁ চালুক বচন'কে আদি কৰি ভালেমান গ্ৰন্থ প্ৰকাশ কৰিছে । অসম প্ৰকাশন পৰিষদে 'মেঘৰাজ কৰ্মকাৰ ৰচনাৱলী' প্ৰকাশ কৰিছে । তেওঁ বৰবৰুৱা হাইস্কুলত শিক্ষকতা কৰিছিল ।

( খ ) সন্তোষ কুমাৰ তপ্ন :

উত্তৰঃ সন্তোষ কুমাৰ তপ্ন :- মৰাণৰ সন্তোষ কুমাৰ তপ্নই লিখা 'মুণ্ডা জাতিৰ চমু পৰিচয়'খন হ'ল চাহ জনগোষ্ঠীৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ । অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তেওঁ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল । ১৯২৪ চনত জন্ম লাভ কৰা তপ্নৰ পিতৃৰ নাম দয়াল তপ্ন আৰু মাতৃৰ নাম মাৰঠা তপ্ন আছিল । যোৰহাট জে.বি. কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা তপ্নই সমাজ সেৱাৰ সমান্তৰালভাৱে সাহিত্য - চৰ্চাও কৰিছিল । অসমৰ বিভিন্ন কাকত - আলোচনীত তেওঁৰ তথ্যগধুৰ লিখনি প্ৰকাশ পাইছে । সহজ - সৰল জীৱন যাপন কৰা এইগৰাকী মহান ব্যক্তিৰ ১৯৯৪ চনৰ ২১ নবেম্বৰত মৃত্যু হয় ।

( গ ) চাইমক সিংহ  হ'ৰ :

উত্তৰঃ চাইমক সিংহ  হ'ৰ :- চাইমন সিং হ'ৰৰ ১৯২৯ চনত জন্ম হয় । পিতৃ মাছিৰাম হ'ৰ আৰু মাতৃ ছাৰা হ'ৰ । শিৱসাগৰৰ মিছন স্কুলত শিক্ষা জীৱন আৰম্ভ কৰা হ'ৰই যোৰহাট জে.বি. কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে । চৰকাৰী চাকৰি প্ৰত্যাখ্যান কৰি সমাজৰ কামত ব্ৰতী থকা হ'ৰ বৰ উদাৰ মনৰ আছিল । খ্ৰীষ্টান ধৰ্মীয় লোক হৈয়ো হিন্দু ধৰ্মৰ নামঘৰ পাতিবলৈ নিজৰ মাটি দান কৰি আগভাগ লৈছিল । শিক্ষাৰ কথা চিন্তা কৰি পিছ পৰা ভিতৰুৱা অঞ্চলত স্কুল পাতি শিক্ষাৰ পোহৰ বিলাইছিল । এইগৰাকী নমস্য ব্যক্তিয়ে ১৯৭৯ চনৰ ২৬ জুনত ইহলীলা সম্বৰণ কৰে ।

কলেজীয়া শিক্ষাৰে শিক্ষিত এই দুগৰাকী ব্যক্তিয়ে চাহ জনগোষ্ঠীৰ সমাজখনক সংগঠিত কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল । সেয়ে তেওঁলোকক চাহ জনগোষ্ঠীৰ সমাজ নিৰ্মাণৰ খনিকৰ বুলি অভিহিত কৰা হয় ।

## [ ( ঝ ) চুতীয়াসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। চুতীয়াসকলৰ আদি বাসস্থান ক'ত আছিল ?

উত্তৰঃ হিমালয়ৰ উত্তৰৰ মানস সৰোবৰৰ পূবত থকা স্বাত সৰোবৰৰ কাষৰীয়া অঞ্চল চুতীয়া সকলৰ আদি বাসস্থান আছিল ।

প্ৰশ্ন ২। চুতীয়া শব্দৰ উৎপত্তি কোন শব্দৰ পৰা হৈছিল ?

উত্তৰঃ স্বাত সৰোবৰৰ কাষৰীয়া অঞ্চলৰ পৰা অসমলৈ অহা বাবে এওঁলোকক স্বাতীয় বোলা হৈছিল । কালক্ৰমত এই স্বাতীয়া শব্দৰ পৰাই চুতীয়া শব্দৰ উৎপত্তি হল ।

প্ৰশ্ন ৩। চুতীয়া সকলৰ এগৰাকী বীৰংগনাৰ নাম লিখা ।

উত্তৰঃ চুতীয়া সকলৰ এগৰাকী বীৰংগনাৰ নাম হ'ল- 'ৰাণী বীৰংগনা সতী সাধনী' ।

প্ৰশ্ন ৪। তলত দিয়া যিকোনো এগৰাকীৰ বিষয়ে চমুকৈ লিখা ।

( ক ) সোণাৰাম চুতীয়া , ( খ ) ড° স্বৰ্ণলতা বৰুৱা ( গ ) চিদানন্দ শইকীয়া ( ঘ ) কোষেশ্বৰ বৰুৱা ।

( খ ) ড° স্বৰ্ণলতা বৰুৱা:

উত্তৰঃ ড° স্বৰ্ণলতা বৰুৱা:- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী তথা শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আসনৰ অধ্যাপিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা ড° স্বৰ্ণলতা বৰুৱাই উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মহিলা বুৰঞ্জীবিদ হিচাপে স্বীকৃতি লাভ কৰিছিল । 'চুতীয়া জাতিৰ বুৰঞ্জী'ৰ মুখ্য সম্পাদিকা এইগৰাকী মহিলাই 'A Comprehensive History of Assam', 'Last Day of Ahom Monarchy : A History of Assam From 1769-1826 ' আদি অত্যন্ত গুৰুত্বপূৰ্ণ ঐতিহাসিক তথ্যসমৃদ্ধ গ্ৰন্থৰ উপৰিও বহুসংখ্যক বুৰঞ্জীমূলক প্ৰবন্ধৰে অসমৰ বুৰঞ্জী চৰ্চাৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি গৈছে । উল্লেখযোগ্য যে , এইগৰাকী বুৰঞ্জীবিদৰ 'Status of Women in Non - Tribal Societies of Assam' নামৰ গৱেষণা পত্ৰখনে ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল ।

প্ৰশ্ন ৫। চুতীয়া সকলৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা ।

উত্তৰঃ চুতীয়া সকল অসমৰ আদিম অধিবাসী সকলৰ ভিতৰত অন্যতম জনগোষ্ঠী । এওঁলোক আদিতে হিমালয়ৰ উত্তৰৰ মানস সৰোবৰৰ পূবত থকা স্বাত সৰোবৰৰ কাষৰীয়া অঞ্চলত বাস কৰিছিল । তাৰ পৰা তেওঁলোক অসমলৈ আহে । স্বাত সৰোবৰৰ কাষৰীয়া অঞ্চলৰ পৰা অহা কাৰণে তেওঁলোকক স্বাতীয়া বোলা হৈছিল । পিছত স্বাতীয়া শব্দৰ পৰাই চুতীয়া হ'ল । ৰাণী সতী সাধনী আছিল চুতীয়া সকলৰ এগৰাকী বীৰাংগনা । আহোমৰ লগত হোৱা ৰণত পৰাজয় বৰণ কৰাতকৈ মৃত্যুৱেই শ্ৰেয় বুলি তেওঁ পাহাৰৰ ওপৰৰ পৰা জঁপিয়াই মৃত্যু বৰণ কৰে ।

চুতীয়া সকলে ৰাজত্ব কৰা শদিয়া ৰাজ্যৰ পুৰণি নাম আছিল বিদৰ্ভ —ইয়াৰ ৰাজধানী আছিল কুণ্ডিল নগৰ । এওঁলোকে ভীষ্মকৰ বংশধৰ বুলি পৰিচয় দিয়ে । এওঁলোক দেৱী উপাসক আছিল আৰু শদিয়াৰ কেঁচাই খাতীবা তাম্ৰেশ্বৰী গোসানীক নৰবলিৰ পূজা কৰিছিল । স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনৰ পৰা নৰবলি প্ৰথা উঠাই দিছিল । এওঁলোক মঙ্গোলীয় নৃগোষ্ঠীৰ বৃহৎ বড়ো জনগোষ্ঠীৰ ভিতৰুৱা ।

চুতীয়াসকল ভাস্কৰ্য শিল্পত চহকী আছিল। ম'ৰা চৰাইৰ সৈতে বিষ্ণুমূৰ্তি , শিৱ - পাৰ্বতীৰ মূৰ্তি , সূৰ্যৰ মূৰ্তি , তাম্ৰেশ্বৰী মন্দিৰ , মালিনী থান আদিয়ে এওঁলোকৰ স্থাপত্য - ভাস্কৰ্যৰ পৰিচয় দিয়ে । ইয়াৰ উপৰিও সোণেৰে নিৰ্মিত ডুগডুগি ,

সোণোৱালী গলপতা , সোণৰ কেৰু , সোণ আৰু ৰূপৰ গামখাৰু , জোনবিৰি , সোণৰ মেকুৰী , তিনি থলপীয়া সিংহাসন , দবা , কালি , চ'ৰা নাও আদি ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায় ।

চুতীয়া জনগোষ্ঠীৰ বহুসংখ্যক ব্যক্তিয়ে অসমীয়া সাহিত্য - সংস্কৃতি আৰু জাতীয় জীৱনলৈ বিভিন্ন ক্ষেত্ৰত অবদান আগবঢ়াইছে ।

## [ ( ঞ ) ঠেঙ্গাল কছাৰীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। মঙ্গোলীয় কিৰাত সকলৰ আৱয়বিক বৈশিষ্ট্য কি ?

উত্তৰঃ মঙ্গোলীয় কিৰাত সকলৰ আৱয়বিক বৈশিষ্ট্য হল— গাৰ বৰণ পীত বা পীত পিংগল , কেশ কলা , ঋজু আৰু অসমান , ডাড়ি - গোফ তাকৰ , শৰীৰৰ নোম কম , মুখমণ্ডল বহল আৰু নাক চেপেটা । কপালস্থি বা হনু বৰ স্পষ্ট , নেত্ৰ ঠেক বা নেত্ৰ বক্ৰ , নেত্ৰছেদৰ ভাঁজ মঙ্গোলীয়ৰ এটি বিশেষ লক্ষণ ।

প্ৰশ্ন ২। মঙ্গোলীয় কিৰাত সকলক সংস্কৃত ভাষাত কি বুলি অভিহিত কৰিছিল ?

উত্তৰঃ সংস্কৃত ভাষাত মঙ্গোলীয় কিৰাত সকলক কক্ষৱাট বুলি অভিহিত কৰিছিল ।

প্ৰশ্ন ৩। কছাৰী নামৰ কেনেকৈ উৎপত্তি হৈছিল ?

উত্তৰঃ মঙ্গোলীয় কিৰাত সকলক সংস্কৃত ভাষাত  কক্ষৱাট বোলা হয় । কক্ষৱাটৰ পৰা  কক্ষত > কচ্ছৰ লগত অৰি যোগ হৈ কচ্ছ + অৰি - কছাৰী নামৰ উৎপত্তি হৈছিল ।

প্ৰশ্ন ৪। ড° ভুৱন মোহন দাসে মঙ্গোলীয় সকলক কেইটা ভাগত ভাগ কৰিছে ?

উত্তৰঃ ড° ভুৱন মোহন দাসে মঙ্গোলীয় সকলক এনেদৰে ভাগ কৰিছে –
১ । খাছী
২। বড়ো
৩। লুচাই কুকী
৪। নগা
৫। অৰুণাচলৰ জনজাতি আৰু
৬। অন্যান্য ।

অন্যান্য জাতিৰ , ভিতৰত মিচিং , দেউৰী , হাজং আদিক অন্তৰ্ভুক্ত কৰিছে । বড়ো গোষ্ঠীৰ ভিতৰত গাৰো , ৰাভা , মেচ , তিৱা , ডিমাচা , ঠেঙ্গাল , সোণাৱাল ঝাৰুৱা আদিক অন্দৰ্ভুক্ত কৰিছে ।

প্ৰশ্ন ৫। ঠেঙ্গাল কছাৰী সকল পৌৰাণিক কোন গোষ্ঠীৰ পৰা অহা ?

উত্তৰঃ ঠেঙ্গাল কছাৰী সকল পৌৰাণিক মঙ্গোলীয় প্ৰজাতিৰ বড়ো গোষ্ঠীৰ পৰা অহা ।

প্ৰশ্ন ৬। ঠেঙ্গাল কছাৰী সকল বৰ্তমানৰ অৱস্থান সম্পৰ্কে উল্লেখ কৰা ।

উত্তৰঃ ঠেঙ্গাল কছাৰী সকলৰ বৰ্তমান অৱস্থান হ'ল— যোৰহাট জিলাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা নগাপাহাৰ পৰ্যন্ত তিতাবৰক কেন্দ্ৰ কৰি বিস্তৃত অঞ্চল ঠেঙ্গাল কছাৰীৰ লোকেৰে ভৰপূৰ । গোলাঘাট জিলাৰ ধনশিৰি পাৰৰ ঠেঙ্গাম গাঁও পঙ্কা , মৰঙি , বুঢ়া গোহাঁই ঘাট , সৰুপথাৰ , বৰ পথাৰ , চাউদাং পথাৰ , গমাৰি , চিচুপানী , মেৰাপানী , কাছমাৰী , দৈয়াং , কাৰ্বি আংলং জিলাৰ কলিয়নী , শিৱসাগৰ জিলাৰ সোণাৰী অঞ্চল , নাজিৰা , ডিব্ৰুগড় জিলাৰ নাহৰণী ঠেঙ্গাল গাঁও , চাচনী , উত্তৰ পাৰৰ লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া , কাৰৈমাৰী বাগিচা , বঙালমৰা , নাহৰণী , পকাদৌল , খোলাগুৰি , বৰাইখনা , নাওবৈছাৰ সোণাপুৰ , লোকামপুৰ , ঢেকীয়াজুলি , দলপাপথাৰ , বালিগাঁও ,

দক্ষিণ লালুক , হাৰমতী , বান্দৰদেৱা , উত্তৰ লালুক , ফুলবাৰী , কদম , ধেমাজি , গোগামুখ , কৃষ্ণপুৰ , গড় পাৰা , নাহৰবাটী , পানী গাও , দঙ্গীবিল , জকাই পেলোৱা , জোনাই আদি ঠাইত ঘন বসতি পূৰ্ণ ঠেঙ্গাল কছাৰী গাঁও ।

প্ৰশ্ন ৭। চমু টোকা লিখা

( ক ) লৌহপ্ৰাণ গিৰিধৰ ঠেঙ্গাল ( খ ) কমল কছাৰী ।

( ক ) লৌহপ্ৰাণ গিৰিধৰ ঠেঙ্গাল :

উত্তৰঃ লৌহপ্ৰাণ গিৰিধৰ ঠেঙ্গাল :- অসমৰ আৰ্থ - সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰখনত খিলঞ্জীয়া জনগোষ্ঠীৰ যিসকল ব্যক্তিয়ে ইতিমধ্যে উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে সেইসকলৰ ভিতৰত গিৰিধৰ ঠেঙ্গাল অন্যতম ।

যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঠেঙ্গাল মৌজাৰ উলুতলী গাঁৱৰ এটা অতি দুখীয়া কৃষক পৰিয়ালত ১৯২১ চনৰ ১২ জানুৱাৰীত গিৰিধৰ ঠেঙ্গালৰ জন্ম হয় । তেওঁৰ পিতাকৰ নাম আছিল জিলিৰাম ঠেঙ্গাল আৰু মাকৰ নাম আছিল কান্দুৰী ঠেঙ্গাল । কেঁচুৱা অৱস্থাতে মাকৰ বিয়োগ ঘটাত বৰমাকে তুলি - তালি গিৰিধৰক ডাঙৰ - দীঘল কৰে । ১৯২৯ চনত গিৰিধৰক দেউতাকে বজালবাৰী প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়ে । এই বিদ্যালয়ৰ পৰা ১৯৩৪ চনত প্ৰাথমিক বৃত্তি পৰীক্ষাত যোৰহাট মহকুমাৰ ভিতৰত তৃতীয় স্থান লাভ কৰি উত্তীৰ্ণ হৈ তিতাবৰ মধ্য ইংৰাজী বিদ্যালয়ত নাম ভৰ্তি কৰে । দুৰ্ভাগ্যজনক যে মধ্য ইংৰাজী বিদ্যালয়ত পঢ়ি থকা কালতে ১৯৩৬ চনত দেউতাকৰ অকাল মৃত্যু হয় ।

( খ ) কমল কছাৰী :

উত্তৰঃ কমল কছাৰী :- 'ইস্তাহাৰ কবি' নামেৰে জনাজাত কবি - শিল্পী কমল কছাৰী ১৯৩৯ চনত যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ ঠেঙ্গাল মৌজাৰ মৰধলি কছাৰী গাঁৱৰ এটি কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰে । দেউতাকৰ নাম উনিৰাম কছাৰী আৰু মাকৰ নাম সৰু আইতী কছাৰী । জীৱিকাৰ কৰ্মসূত্ৰে তেওঁ শিৱসাগৰ জিলাৰ নাজিৰা স্থিত মাদুৰীত বসবাস কৰি চিকিৎসা ক্ষেত্ৰত ফাৰ্মাচিষ্ট হিচাপে স্বাস্থ্যসেৱাত ব্ৰতী হয় । ভাস্কৰ্য শিল্পী , চিত্ৰশিল্পী , অনাতাঁৰ গীতিকাৰ , কবি কমল কছাৰীৰ লেখনি অসমৰ আগশাৰীৰ কাকত - আলোচনী 'প্ৰতিধ্বনি', 'অসমবাণী', 'নীলাচল', 'অগ্ৰদূত', 'সাদিন - প্ৰতিদিন'ৰ উপৰিও বিভিন্ন মাধ্যমত প্ৰকাশ পাইছিল । শিৱসাগৰ জিলা সাহিত্য সভাৰ তেওঁ সভাপতি আছিল ।

কমল কছাৰীয়ে গীত , কবিতা , নাটক লিখাৰ উপৰিও বেনাৰ , ফেষ্টুন , কিতাপ - আলোচনীৰ বেটুপাত অংকন , স্থাপত্য ভাস্কৰ্য নিজ হাতেৰে খোদিত কৰাত সিদ্ধহস্ত আছিল । কমল কছাৰীক সাহিত্য সভাই ' বিষ্ণু প্ৰসাদ ৰাভা বঁটা প্ৰদান কৰিছিল আৰু শিৱসাগৰ সাহিত্য সভাই কবিগৰাকীৰ নামেৰেও কবি শিল্পী কমল কছাৰী সাহিত্য বঁটা প্ৰদান কৰি আহিছে । অসম চৰকাৰে তেওঁলৈ সাহিত্যিক পেঞ্চন আগবঢ়ায় । দৰদী কবি কমল কছাৰীৰ তিনিকুৰি পোন্ধৰ বছৰত ২০১৩ চনত জীৱনৰ অৱসান ঘটে ।

## **[ ( ট ) ডিমাছাসকল ]**

## **পাঠভিত্তিক প্ৰশ্নোত্তৰ**

প্ৰশ্ন ১। ডিমাছা সকল প্ৰধানতঃ কেইটা বংশত বিভক্ত ?

উত্তৰঃ ডিমাছা সকল প্ৰধানতঃ ৪০ টা বংশত বিভক্ত ।

প্ৰশ্ন ২। ডিমাছা ভাষাৰ অসমৰ আন কোন ভাষাৰ সৈতে মিল দেখা যায় ?

উত্তৰঃ ডিমাছা ভাষাৰ অসমৰ বড়ো ভাষাৰ সৈতে মিল দেখা যায় ।

প্ৰশ্ন ৩। ডিমাছা সকলে খেতিৰ শেষত পতা উৎসৱটোৰ নাম কি ?

উত্তৰঃ ডিমাছা সকলে খেতিৰ শেষত পতা উৎসৱটোৰ নাম হ'ল-বিছুডিমা ।

প্ৰশ্ন ৪। ডিমাছাসকলৰ গোত্ৰসমূহৰ নামবোৰৰ শেষ আখৰটো সাধাৰণতে কি ?

উত্তৰঃ ডিমাছা সকলৰ গোত্ৰসমূহৰ নামবোৰৰ শেষ আখৰটো হ'ল 'চা' ।

প্ৰশ্ন ৫। ডিমাছাসকলৰ কেইটিমান গোত্ৰৰ নাম লিখা ।

উত্তৰঃ ডিমাছাসকলৰ কেইটিমান গোত্ৰৰ নাম হ'ল- লাংথাচা , ডিফুচা , গাৰ্লচা , হোজাইচা , মাইবংচা ইত্যাদি ।